# Assam Legislative Assembly Debates

सत्यमेव जयते

1987

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVB ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## VOL. III

### NO. 6

The 28th February, 1979

---

*Geetali Art Press, Dispur, G. S. Road,*
*Guwahati—781 022*

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1979

( Budget Session )

Volume— III

No— 6

Dated the 28th February, 1979.

CONTENTS.


| | | Page |
|---|---|---|
| 1. | Questions ... ... ... ... ... | 5—46 |
| 2. | Calling Attention ... ... ... ... | 45—53 |
| 3. | Presentation of the list of Supplementary Demands for grants and Supplementery Appropropriation for the year 1978—79. .. ... ... ... | 54 |
| 4. | Debate on the Governor's Address... ... .. | 4--133 |
| 5. | Adjournment ... ... ... ... ... | 134 |

**Proceedings of the Third Session of the Assam Legislative Assembly assembled after the Sixth General Election under Sovereign Democratic Republican Constitution of India.**

—

The House met in the Assembly Chamber, Dispur, Gauhati on Wednesday, the 28th February, 1979 with the Hon. Speaker in the Chair, 10 ( ten ) Ministers 4 ( four ) Ministers of State, 4 ( four ) Parliamentary Secretaries and 91 ( ninety one) Members present.

—

## STARRED

## QUESTIONS AND ANSWERS

**Date : 28th February, 1979.**

( To which oral answers were given )

শ্ৰীযোগেন গগৈ :— কালিৰ দুটা পেনডিং কুৱেচন আছিল সেই দুটাৰ সম্পৰ্কে কি হল ?

মাননীয় অধ্যক্ষ :— কালি কোৱা হৈছিল যে তেখেতৰ অসুস্থতাৰ কাৰণে সময় লাগে বুলি কৈছিল ।

শ্ৰীযোগেন গগৈ :— আমি জনাত শ্ৰীজয়চন্দ্ৰ নাগবংশী আৰু শ্ৰীএম, ইব্ৰাহিম আলীৰ প্ৰশ্ন দুটা স্থগিত ৰাখিছিল।

মাননীয় অধ্যক্ষ :— পিচত লোৱা হব।

Starred Question No. 44 was not put, the Member being absent.

Re: Water works in Hojai Municpality

Shri Santi Ranjan Das Gupta asked:

*45. Will the Minister, Health be Pleased to state—

(a) Whether it is a fact that the Hojai Municpality paid a sum of Rs. 3,00,000/-(Rupees three lakhs) to the Public Health Engineering Department for construction of a water works as prellminary advance ?

(b) If so, whether the construction work of the said water works has been started by the Public Health Engineering Department, Nowgong ?

(c) If so, the particulars of the works, so far undertaken ?

(d) When the project is expected to be completed ?

Dr. Kosheswar Bora ( Minister of State, Health ) replied :

45. (a)—Yes:

(b) & (c) Orders for materials have partially been placed and some pipes have already been purchased: Tenders for overhead Reservoirs were received and soil Investigation already completed.

(d)—By 1981 subject to availability of construction materials and funds.

Shri Santi Ranjan Das Gupta:— What will be the capacity of the proposed water works and what will be the number of persons who will be benefitted ?

Shri Kosheswar Bora ( Minister ):— This will cover almost all the pepole of Hojai town and the cost will be about 40 . 18 lakhs.

Shri Santi Ranjan Das Gupta :— Whether the Sankardev nagar will also be fed by this water works or a seperate water works would be constructed ?

Shri Kosheswar Bora ( Minister of State ) :— perhaps it will require a seperate water supply scheme because this scheme was prepared in 1975, but money was received in March 1978 partially;

Shri Santi Ranjan Das Gupta :— Since the new subdivision wiil be 3 miles away from Hojai town, why the Govt: can not increase the capacity of the existing one .

Dr: Kosheswar Bora ( Minlster of State ) :— It will be examined .

শ্রীনিশীথ রঞ্জন দাস :— মহোদয়, আমাদের রাজ্যে পাণীয় জল সরবরাহের জন্য গত ১ বত্‌সরে পাবিলক হেল্‌থ ইঞ্জিনীয়ারিং ডিপার্টমেণ্ট কর্ত্ক কত টাকা খরচ হয়েছে এবং কত্তটি অঞ্চল উপকৃত হয়েছে।

ডাঃ কোষেশ্বৰ বৰা ( মন্ত্রী ) :— মই এইটো দিব পাৰিম, হিচাবটো মোৰ হাতত আছে । কিন্তু এতিয়াই দিব নোৱাৰো ।

শ্রীবানেশ্বৰ শইকীয়া :— নগাওঁৰ পানী যোগান সম্পর্কত যোৱা বছৰেই আঁচনি লৈছিল । নগাওঁ টাউনতো পাব্‌লিক হেলথ্‌ ইঞ্জিনিয়াৰিঙে পানী যোগানৰ আঁচনি লোৱাৰ কথা কৈছিল কিন্তু এইটো এক্সপিডাইড কৰা হৈছে নে নাই ।

ডাঃ কোষশ্বৰ বৰা ( মন্ত্রী ) :— এইটোৰ কাৰণে বেলেগে প্রশ্ন দিলে ভাল হয় । কিন্তু নগাওঁৰ পানী যোগানৰ আঁচনিৰ কাম কৰি থকা হৈছে ।

Starred Question No: 46 was not put, the Member being absent.

Re: M/s Pollishree (P) Limited

Shri Kiran Ghandra Bezbaruah asked:

*47. Will the Minister, Industries be pleased to state-

(a) Whether it is a fact that the Chemical Unit of the Associated Industries Ltd. has appointed M/s Pollishree (P) Limited as distributor of Super phosphate for the North Eastern Region ?

(b) If so, for what reason the said company was selected as distrbutor ?

(c) Whether the firm is Registered in Assam ?

(d) If so, who is the Managing Director of this Company ?

(e) At what rate the Commission was fixed for the distribution ?

(f) Whether any tender was called for this purpose ?

(g) Whether it is a fact that the Company is supplying Super Phosphate to customers belonging to outside Assam ?

(h) If so, under whose order the Company is selling Super Phosphate to the customers outside Assam ?

Shri Jagannath Sinha (Minister, Industries) replied:

47. (a)—Yes, for North Eastern Region, West Bengal and Bihar.

(b)—The Company was found to have adequate experience in distribution of fertilizer, financially sound and their terms and conditions were found favourable and competitive.

(c)—No.

(d)—Does not arise.

(e)—(i) Rs. 15/- (Ruppees fifteen) per Metric Tonne for distribution in the North Eastern Region and the districts of North Bengal.

(ii) For other disricts of West Bengal and for the State of Bihar Commission to the extent of discount or rebate offered by M/s phosphate Co. Ltd., Calcutta against the dealer's price fixed by the Fertilizer Association of India.

(f)—No.

(g)—Yes.

(h)—The Company, as per terms and conditions of the Agreement is selling Super Phosohate out-

side Assam for which allocations under Essential Commodities Act for diffierent States against different Manufacturers are made by Government of India;

Shri Kiron Chandra Bezbarua :— Whether tendera were called for before giving distri butorship ?

Shri Golap Barbora ( Chief Minister ) :— No tender was called :

Shri Kiron Chandra Bezarua :— What was the reason why no tender was called and why the whole produce was givien to a particular company for distribution ?

Shri Golap Barbora ( Chief Minister ) :— Considering the urgency a negotiated settlement was made.

শ্ৰীকিৰণ চন্দ্ৰ বেজবৰুৱা :— অধ্যক্ষ মহোদয় ৬ হেজাৰ মেট্ৰিক টন চুপাৰ ফচ্‌ফেট্‌ জ'ন নম্বৰ একত বিক্ৰী কৰিবলৈ প্ৰতিবছৰে দিয়া হৈছিল, ঠিকাদাৰে কিমান টন বিক্ৰী কৰিছে ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্য মন্ত্ৰী ) :— আমি খবৰ পোৱা মতে বিক্ৰী কৰিছে।

Shri Kiron Chandra Bezbaruah :— I am sorry Sir, this information may not be very correct and therfo-

fre, I request the Chief Minister to look into the matter :

Shri Golap Barbora ( Chief Minister ) :— We will look in tothe matter .

Shri Promod Chandra Gogoi :— Whether before giving licence to this particular Company its antecedents were enquired into ? As far as I know this Company has a bad reputation .

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) :— বিতৰণৰ আগতে এইটো অনুসন্ধান কৰা হৈছিল । তাৰ ভিতৰত বেলিজ ইণ্ডিয়া লিমিটেড, চোৰালেঞ্জ কোম্পানী ইত্যাদি বিলাকৰ কথাও বিবেচনা কৰা হৈছিল । তাৰ পিচত মেচাৰ্চ পলিচ লিমিটেড, কলিকতা, তেওঁলোকৰ টাৰ্মচ্ এণ্ড কণ্ডিশ্যন সুবিধাজনক হোৱাৰ কাৰণে বিতৰণ কৰিবলৈ দিয়া হৈছে ।

শ্ৰীপ্ৰমোদ গগৈ :— চৰকাৰে এই কথা জানেনে যে এই কোম্পানীক নৰ্থ ইষ্টাৰ্ণ ৰেজিয়নৰ লাইচেন্স দিয়াৰ আগতে কিমান দিন ধৰি ব্যৱসায় বাণিজ্য কৰি আছিল ।

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) :— এইটো অনুসন্ধান কৰিব লাগিব ।

শ্ৰীপ্ৰমোদ গগৈ :— মই মুখ্যমন্ত্ৰীৰ পৰা জানিব বিচাৰিছো যে এই কোম্পানীটোৰ মুঠ কেপিটেল ইনভেষ্টমেন কিমান ? অনুসন্ধান কৰিবনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— অনুসন্ধান কৰা হব ।

Shri Altaf Hussain Majumdar :— May I know from the

Chief Minister who is the Managing Director of the company and who are the directors of it.

Shri Golap Barbora (Chief Minister) :— Details are not with me now.

Shri Kiron Chandra Bezbarua :— Mr. Sperker, Sir, is it a fact that one of the officers who was in the Chemical unit happens to be the main man in Pollishree Private Led. ?

Shri Golap Borbora ( Chief Minister ) :— That I will have to find out.

শ্ৰীফণী মেধি :— মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বচাৰিছো যে এই কোম্পানীত কিমান জন শ্ৰমিক আৰু কিমান জন অফিচাৰে কাম কৰি আছে । এইটোও জানেনে যে এই ফাৰ্মৰ ওনাৰচীপ হস্তান্তৰ কৰাৰ কথা ভবা হৈছে ।

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— এই সকলো বিলাক পৰীক্ষা-নিৰীক্ষা কৰি কৰা হব । ১৯৭৩-৭৪ চনত পৰাই এইটো চলি আছে ।

শ্ৰীজীৱন বৰা :— মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰছো যে অসম এগ্ৰো ইণ্ডাষ্ট্ৰিজ ডেভেলাপমেণ্ট কৰপোৰেচন যিয়ে সাৰ আদিৰ ব্যৱসায় কৰে তেনেকুৱা এটা প্ৰতষ্ঠানক নিদি কিয় এনে কৰা হ'ল ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— সেই বিষয়ে বিবেচনা কৰা হব ।

শ্ৰীচামচুল হুদা :— এই লাইচেঞ্চ কেতিয়া দিয়া হৈছিল আৰু তেতিয়াৰ

পৰা বছৰে বছৰে ৰিনিউ কৰি থকা হৈছে নে অনিৰ্দ্দিষ্ট কালৰ কাৰণে দিয়া হৈছে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— এই গোটেই ঘটনাটো হ'ল এচোচায়েটেড ইণ্ডাষ্ট্ৰিজে ১৯৫৭ চনৰ পৰা কটন স্পিন মিল আৰু ১৯৬০ চনৰ পৰা কেমিকেলৰ কাৰণে লাইচেন্স পাইছিল তাৰ পিচত কাম কাজ আৰম্ভ কৰে যদিও ১৯৭৪ চনৰ পৰা আমাৰ অসম ইণ্ডাষ্ট্ৰিয়েল ডেভেলাপমেণ্ট কৰপোৰেচনে এইটো ইউনিটৰ প্ৰডাকচনৰ কাম আৰম্ভ কৰে আৰু তাৰ পিচত ১-৫-৭৭ তাৰিখে তেওঁবিলাকৰ লগত পুনৰ এগ্ৰিমেণ্ট কৰিবলৈ দিয়া হয়। মেচাৰ্চপলি শ্ৰীলিমিটেডক পাচ বছৰৰ কাৰণে দিয়া হৈছে।

Shri Premadhar Bora :— Sir, may I know from the Hon'ble Chief Minister whether the Government is aware that because of some unscrupulous businessmen, in the name of pollishree (P) Ltd., with the unholy alliance of the corrupt officers in the Industries Deprtment they are standing in the way of the development of the State? On the basis of this whether the Government is contemplating to make a thorough enquiry and let the House know the result ?

Shri Golap Barbora. Chief Minister: Yes, Sir, we are examining the whole issue and whatever steps necessary will be taken.

শ্ৰীচামচুল হুদা :— লাইচেন্সখন লাইফ টাইম নেকি ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— তিনি বছৰৰ কাৰণে ।

শ্ৰীফণী মেধী :— এই ইউনিটত কাম কৰা শ্ৰমিক সকলৰ পৰা কিবা স্মাৰক পত্ৰ পাইছিল নেকি যদি পাইছিল তাৰ ওপৰত কি ব্যৱস্থা লোৱা হৈছে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— সেইটো বেলেগ প্ৰশ্ন হব ।

শ্ৰীভবেন্দ্ৰ কুমাৰ শইকীয়া :— মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই কামত টেণ্ডাৰ কল কৰা হৈছিল নেকি আৰু যদি হৈছিল টাৰ্মচ এণ্ড কণ্ডিচশ্যন কি আছিল ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— সেই সময়ত যি সকলে কৰিছিলি ভাল বুলিয়েই কৰিছিল আৰু তিনি বছৰৰ কাৰণে কনট্ৰেক্ট কৰা হৈছে । এই বিষয়ত ব্যৱস্থা কৰা হব ।

Shri Kiron Chandra Bezbaruah :— Mr. Speaker, Sir, the most important point is that if 6000 M. T. of Super Phosphate is not distributed in Zone 1 thne it always remains a scarce item in this region speoially. So, I would request the Hon'ble Chief Minister that whatever may be the terms in the contract with them this 6000 M T must be distributed in this area othrwise the Agriculture or whatever the product is will be very badly affe-

cted. I would therefore request the Hon'bleChief Minister to look in to the matter.

Shri Golap Barbora : (Chief Minister) :— Sir, we will look into the matter. Since that is also a term in the contract, if 6000MT are not being supplied then that is a clear violation and on that issue proper action may be taken.

শ্ৰীহেমেন দাস ঃ— এটা সৰু কথা । মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো এই কেমিকেল ইউনিটটো এজন ব্যক্তিগত ব্যৱসায়ীৰ হাতত বিক্ৰী কৰি দিয়াৰ কথা চৰকাৰে চিন্তা কৰিছে নেকি ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) ঃ— নাই কৰা ।

শ্ৰীহেমেন দাস ঃ— আমি জানিব পৰা মতে এ-আই ডি-চিয়ে ইউনিটটোৰ দায়িত্ব এৰি দিয়াৰ আৰু কোনোবা ব্যক্তিগত ব্যৱসায়ীলৈ লোৱাৰ কথা চিন্তা কৰিছে ।

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী ঃ— এনে কোনো কথা হোৱা নাই । যদি হয় ভবিষ্যতে ভাবিচিন্তি কৰা হব ।

**বিষয় ঃ উত্তৰ লক্ষীমপুৰ মহকুমাৰ শিক্ষিত নিবনুৱা সংস্থাপনৰ ব্যৱস্থা ।**

শ্ৰীশুল বৰাই সুধিছে ঃ

* ৪৮। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) উত্তৰ লক্ষীমপুৰ মহকুমাত শিক্ষিত নিবনুৱাৰ সংখ্যা কিমান ?

(খ) এই নিবনুৱা সকলৰ সংস্থাপনৰ বাবে চৰকাৰে কিবা নতুন নীতি বা আঁচনি লৈছে নেকি ?

শ্ৰীজগন্নাথ সিংহ (শ্ৰম বিভাগৰ মন্ত্ৰী) যে উত্তৰ দিছে :

৪৮। (ক)—১৯৭৮ চনৰ ডিচেম্বৰ মাহলৈ পঞ্জীয়নভুক্ত নিবনুৱাৰ সংখ্যা ৪২৭৩ জন।

(খ)—নিবনুৱা সকলৰ সংস্থাপনৰ বাবে চৰকাৰৰ ফালৰ পৰা বিভিন্ন প্ৰচেষ্টা চলাই থকা হৈছে।

শ্ৰীশূল বৰা ঃ— এই মহকুমাত কেচা মালৰ ভিত্তিত কি কি উদ্যোগ স্থাপন হব পাৰে আৰু বৰ্ত্তমান কিবা উদ্যোগ লৈছে নেকি, যদি লৈছে কি কি আৰু যদি লোৱা নাই সেই সম্পৰ্কে কিবা কৰা হবনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) ঃ— আমি অনুভৱ কৰিছো যে সেই মহকুমা উদ্যোগৰ ক্ষেত্ৰত পিচপৰি আছে আৰু সেই সম্বন্ধে কি কৰিব পাৰি সেইটো পৰীক্ষা নিৰীক্ষা কৰি থকা হৈছে আৰু আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ কৰা হব।

শ্ৰীশূল বৰা :— বিভিন্ন বিভাগৰ চাকৰিত এই মহকুমাৰ নিবনুৱা সকলৰ প্ৰতিফলন ঘটিছেনে আৰু মহিলা সকলৰ কাৰণে আচুতীয়া কিবা ব্যৱস্থা আছে নেকি ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) — সাধাৰণতে ৰাজ্যখনৰ চাকৰি বাকৰিৰ ক্ষেত্ৰত তেনেকুৱা কোনো ডিফাৰেন্স নাই। মহিলা সকলেও বিভিন্ন ঠাইত কাম কাজ পোৱাৰ সুবিধা পায় আৰু বিভিন্ন জিলা আৰু মহকুমাৰ অফিচত চাকৰি পোৱাৰ ব্যৱস্থাও আছে। সেই সম্পৰ্কে

নিৰ্দ্দেশ আছে যদিও কোনো কোনো ক্ষেত্ৰত কিছু বাস্তৱ অসুবিধা হয়। যেনে ধৰক ৰাজধানীলৈ বহু দূৰৰ পৰা এজন আহি তৃতীয় বা চতুৰ্থ শ্ৰেণীৰ কাম কৰি থাকিবলৈ অসুবিধা হয়। মহকুমাৰ ভিতৰতে বা জিলাৰ ভিতৰতে সেই ঠাইৰ লোকক নিযুক্তি দিব পৰা ব্যৱস্থাৰ কাৰণে নিয়োগ বিনিময় কেন্দ্ৰ সমূহক নিৰ্দ্দেশ দিয়া হৈছে।

শ্ৰীকুল বাহাদুৰ চেত্ৰী :— গোটেই অসমত পঞ্জীভুক্ত কিমান নিবনুৱা আছে আৰু সেই সকলৰ হিচাপ কোন বছৰৰ পৰা ধৰা হৈছে মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— প্ৰশ্নটো লক্ষীমপুৰ জিলাৰ বিষয়ে।

শ্ৰীআলটাফ হুচেইন মজুমদাৰ :— জনতা পাৰ্টিৰ ফালৰ পৰা কিছুমান প্ৰতিশ্ৰুতি দিয়া হৈছেল সেই কাৰণে মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে যোৱা জানুৱাৰী মাহৰ পৰা কিমান মানুহক চাকৰি দিব পাৰিলে তাৰ এটা ষ্টেটমেণ্ট দিলে আমি সদস্য সকলেও জানিব পাৰিম আৰু কি কি আচনি লৈছে সেই বিষয়েও দাঙি ধৰিলে আমি সকলোৱে জানিব পাৰিম।

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) — হয়, তেনেকুৱা বিবৃতি দিয়া হব।

শ্ৰীনৰেন দত্ত :— প্ৰশ্নোত্তৰ কালত মুখ্যমন্ত্ৰী মহোদয়ে নিবনুৱা সকলৰ সংস্থাপনৰ বাবে চৰকাৰৰ ফালৰ পৰা বিভিন্ন প্ৰচেষ্টা চলাই থকা হৈছে বুলি কৈছে। মই মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্ট ভাবে জানিব বিছাৰিছো এই ক্ষেত্ৰত কি কি প্ৰচেষ্টা চলাই থকা হৈছে।

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— এই বিষয়ে মই আগতেই কৈছো যে এই

ক্ষেত্ৰত এখন দীঘলীয়া ষ্টেটমেন্ট দাখিল কৰিম।

শ্ৰীযোগন গগৈ :— অসম ৰাজ্যখনত ১ লাখ ৫০ হেজাৰ কৃষি বনুৱা আছে, বহু অশিক্ষিত বনুৱা আছে। এই বনুৱা লোক সকলক নিবনুৱা ভাট্টা যদি দিব বিচৰাই নাই তেতিয়াহলে তেওঁলোকক মাটি বাৰী দিব আন আন ব্যৱস্থাৰে হাঁহ, কুকুৰা, ছাগলী পুহিবৰ কাৰণে পাম ইত্যাদি খুলিবলৈ দান দিয়া ব্যৱস্থা কৰিছে নেকি ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— এই বিলাক কথাও বিবেচনা কৰা হৈছে। ইতিমধ্যে আই, আৰ, এচৰ আঁচনি লোৱা হৈছে। তাত আমি গাৱৰ আটাইতকৈ উপাৰ্জণ নোহোৱা পৰিয়াল বাচি আৰ্থিক সাহাৰ্য্য দি তেওঁলোক যাতে প্ৰতিস্থিত হব পাৰে তাৰ ব্যৱস্থা কৰা হৈছে। অহা কেই বছৰৰ ভিতৰত অসমত যিমান বিলাক ব্লক এৰিয়াৰ আছে সেই বিলাকেই উপকৃত হব। ফুড ফৰ ওৱাক আঁচনি মতে বিভিন্ন ঠাইত এই আঁচনি সম্পূৰ্ণ নহলেও আংশিক ভাবে কাম কৰি উপাৰ্জনৰ পথ যাতে বাহিৰ কৰিব পাৰে তাৰ কাৰণে ব্যৱস্থা কৰা হৈছে। তাৰোপৰি জিলা উদ্যোগ কেন্দ্ৰ সমূহৰ যোগেদি এন্টাৰপিনাচ সকলক প্ৰশিক্ষণ দি স্থানীয় ভাৱে যাতে ক্ষুদ্ৰ উদ্যোগ সৰুসুৰা কুটীৰ শিল্পৰ নিচিনা উদ্যোগ গঢ়ি তোলাত সহায় হয় তাৰ কাৰণে আৱশ্যকীয় বেংকৰ ঋণ ইত্যাদি দিয়াৰ ব্যৱস্থা হাতত লোৱা হৈছে।

Shri Gourishankar Roy :— Sir, do Govt. feel that these unemployed people deserve special treatment from the Gov.t ?

Shri Golap Borbora ( Chief Minister ) :— Yes, Sir, we feel that they deserve special treatment from the Govt.

শ্ৰীগোলোক কাকতি :— অসমৰ চাৰে পোন্ধৰ লাখ বনুৱা ভিতৰত আঢ়ৈ লাখ বনুৱাক পঞ্জীভূক্ত কৰা হৈছে। বাকী যি খিনি দাল দৰিদ্ৰ গাওঁ অঞ্চলত সিচৰিত হৈ আছে যাৰ ভোটত আমি নিৰ্ব্বাচিত হৈ আহিছো সেই সকলৰো নাম বা তালিকা প্ৰস্তোত কৰাৰ কাৰণে ব্যৱস্থা কৰিব নেকি ? কিয়নো এতিয়া আমি পঞ্জীভূক্ত সকলৰ কাৰণেহে চিঞৰি আছো। বাকী এই দাল দৰিদ্ৰখিনিৰ কাৰণে কোনেও মাত মতা নাই এওঁলোককো পঞ্জীভূক্ত কৰি ইয়াৰ কিবা ব্যৱস্থা কৰিবনে ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) : এই বিলাক কথাৰ কাৰণেই শাসন যন্ত্ৰ বিকেন্দ্ৰীকৰণ কৰি আমাৰ মহকুমা পৰিষদৰ নিৰ্ব্বাচন আৰু গঠন সম্পূৰ্ণ হোৱাৰ পিছত বিভিন্ন দপ্তৰৰ কাম-কাজ বিলাক সমন্বয় ৰাখি যুটিয়া ভাবে কাম কৰাৰ ব্যৱস্থা চিন্তা কৰি থকা হৈছে। তাৰোপৰি বিধান সভাৰ নিৰ্ব্বাচিত সদস্য সকলৰ গাওঁ-পঞ্চায়ত নিৰ্ব্বাচিত প্ৰতিনিধি আৰু অন্যান্য বিশেষ লোকক লৈ গাওঁ অঞ্চলত নিবনুৱা সকলক বাচি উলিয়াই তেওঁলোকৰ সংখ্যা নিৰ্দ্ধাৰণ কৰি তেওঁলোকক সংস্থাপন কৰা ইত্যাদি ব্যৱস্থা কামত আগবাঢ়িব পৰা হব।

শ্ৰীনিশীথ রঞ্জন দাস :— মাননীয় অধ্যক্ষ মাহাদয়, আমাদের দেশের বেকারদের বেকার সমস্যার সমাধান করার জন্য প্রতিশ্রুতি বদ্ধ জনতা সরকার ক্ষমতায় আসার পর উত্তর লক্ষীমপুর মহকুমার কত জন শিক্ষিত বেকারের চাকরী হয়েছে মাননীয় মুখ্যমন্ত্রী মহোদয় জানাবেন কি ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) : – সকলো ঠাইতে দিয়া হৈছে। মাননীয় সদস্যই ভুলকৈ বুজিছে নেকি ? জনতা চৰকাৰে ১০ বছৰৰ ভিতৰত সকলোকে কাম দিব সেইটো নহয় কথাটো হল ১০ বছৰত কাম

দিয়া মানে চাকৰি দিয়া নহয়। আৰু তাৰ দ্বাৰা গোটেই দেশৰ বেকাৰ সমস্যা সমাধান কেতিয়াও নহয়। আচল কথাটো হল বিভিন্ন ঠাইত এই বেকাৰ সকলে যাতে কিবা এটা কৰি উপাৰ্জণৰ পথ বাহিৰ কৰিব পাৰে অৰ্থাৎ আত্ম প্ৰতিস্থা হব পাৰে সেইটো কথাহে জনতা চৰকাৰে ঘোষনা কৰিছে।

শ্ৰীমুকুত শৰ্মা :— মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে নিবনুৱা সমস্যা সমাধানৰ কাৰণে জিলা উদ্যোগ কেন্দ্ৰ গঠন কৰা হৈছে। মই এইটো কথা মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো ইতিমধ্যে ৫ খন জিলাত উদ্যোগ কেন্দ্ৰ গঠন কৰা হৈছে। এতিয়া সেই কেন্দ্ৰ বিলাকত কাম আৰম্ভ হৈছে নে নাই? দ্বিতীয় কথা হৈছে যি বিলাক জিলাত জিলা উদ্যোগ কেন্দ্ৰ গঠন কৰা হোৱা নাই সেই বিলাকত কেতিয়া কেন্দ্ৰ স্থাপন কৰা হব?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— আমি ফেইজ্ হিচাপে লৈছো। যিবিলাকত উদ্যোগ কেন্দ্ৰ লোৱা হৈছে তাত কাম আৰম্ভ হৈছে। ইয়াৰ পিচত বাকী যত কেন্দ্ৰ খোলা হোৱা নাই তাত আৰম্ভ কৰা হব

শ্ৰীবীৰেশ মিশ্ৰ :— অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয় বলেছেন যে ফুড্ ফৰ ওয়াৰ্ক স্কীমে সাময়িক ভাবে বেকাৰদেৰে কাজ দেওয়াৰ ব্যৱস্থা হয়েছে। তিনি আমাদেৰে জানাবেন কি যে এই প্ৰকল্পেৰ জন্য কত টাকা মঞ্জুৰ হয়েছে এবং কোন কোন মহকুমাতে এই কাজ আৰম্ভ কৰা হয়েছে?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— এই বিষয়ে বিভিন্ন মন্ত্ৰনায়লয় পৰা আঁচনি কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰা হৈছে। ইতিমধ্যে যেনেকৈ পি, ডবলিউ, ডি বিভাগৰ পৰা প্ৰায় চাৰি কোটি টকাৰ আঁচনি কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দিয়া হৈছে সেইটো মঞ্জুৰ আহিছে।

সেই দৰে অন্যান্য বিভাগৰ পৰাও চলি আছে। এপ্ৰিলত কাম আৰম্ভ হব।

শ্ৰীমতী আনোৱাৰা টাইমুৰ :— এই চৰকাৰ গঠন হোৱাৰ আগতে আগৰ চৰকাৰৰ এম্পলয়মেণ্ট অৰিয়েণ্টটিচন স্কীম আছিল। সেই আঁচনিৰ জৰিয়তে সমবায়ৰ যোগেদি নিবনুৱা ডেকা সকলক আৰু এণ্টাৰ-চিনাৰ সকলক মটৰ চাইকেল, অটৰ ৰিক্সা আৰু আন আন তেনে ধৰণৰ উদ্যোগ গঢ়াৰ কাৰণে আৰ্থিক সাহাৰ্য্য দিয়া ইত্যাদি ক্ষিপ্ৰ গতিত চলি আছে। এই আঁচনিৰ জৰিয়তে আমাৰ বহুতো নিব-নুৱা যুৱকে উপকৃত হৈছিল আৰু কৰ্ম সংস্থানৰ সুবিধা পাইছিল। এতিয়াও সেই আঁচনি আগৰ নিচিনাকৈ ক্ষিপ্ৰগতিত চলি আছে নেকি ? নে বন্ধ হৈছে। যদি বন্ধ হৈছে সেই বিলাক আগবঢ়াই নিবনুৱা সমস্যা সমাধান কল্পে চৰকাৰে যত্ন কৰিবনে ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— এই আঁচনি বিলাক আগতে যে ক্ষিপ্ৰ-গতিত চলি আছিল আৰু এতিয়া ধেমা তেতেলা হৈছে সেইটো নহয়। সেইটো ৰাইজেও আমাক কোৱা নাই।

শ্ৰীচামচুল হুদা :— মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰীমহোদয়ৰ পৰা এটা কথা জানিব পাৰোনে যে সময়ত চৰকাৰে ফুদ ফৰ ওৱৰ্ক আচনি ঘোষণা কৰিছিল, সেই সময়ত আমাৰ ইয়াৰ স্থানীয় মানুহে এটকা পঞ্চাচ পইছাকে হাজিৰা কাম কৰিবলৈ গাৱে ভুইয়ে হাহাকাৰ কৰি ফুৰিছিল, আৰু সেই সময়তেই বাহিৰৰ পৰা বিশে-ষকৈ বিহাৰ আৰু অন্যান্য ঠাইৰ পৰা মানুহ আনি ই, এন্দ, ডিআৰ পি, ডবলিউ ডি, বিভাগত কাম কৰোৱাইছিল আৰু স্থানীয় মানুহৰ কথা কোনো বিবেচনা কৰা নাছিল কিয় ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— অধ্যক্ষ মহোদয়, আমাৰ স্থানীয় মানুহৰ অভাৱ আছিল আৰু তেওঁলোক কায়িক শ্ৰম কৰিবলৈ আগ বাঢ়ি নহাৰ কাৰণেই আমি বাহিৰৰ পৰা শ্ৰমিক আনিব লগীয়া হৈছিল। যদি এতিয়াও তেনে স্থানীয় মানুহ আগ বাঢ়ি আহে তেন্তে তেওঁলোকৰ কথা বিবেচনা কৰি চোৱা হ'ব। অলপতে ব্ৰহ্মপুত্ৰৰ দুই-পাৰৰ কাৰণে ব্ৰীজৰ কাম আৰম্ভ হ'ব আৰু তাত চাৰি কোটি টকাৰ কাম আৰম্ভ হ'ব। তেতিয়া নিশ্চয় স্থানীয় লোকৰ সুবিধা দিয়া হ'ব। সেইদিনা গড় কাপ্তানী মন্ত্ৰী শ্ৰীদুলাল বৰুৱা ডাঙৰীয়াই কৈছেই যে আমাৰ অসমৰ মানহে কায়িক শ্ৰম কৰিবলৈ আগবাঢ়ি নাহে, কাৰণ তেওঁলোক শ্ৰম কৰিবলৈ লাজ কৰে। নিজৰ গাৱৰ এটা কেচা আলি বান্ধবলৈ হলে সেয়েহে বিহাৰ, উৰিষ্যা, অন্ধ্ৰ প্ৰদেশ আদিৰ পৰা বনুৱা আনি এই আলিবাট বন্ধোৱাব লাগে। গতিকে আমি এক বিৰাট প্ৰচাৰ অভিযান ৰাইজৰ মাজত চলাব লাগে, যে এইবোৰ কায়িক শ্ৰম কৰিবলৈ লাজ কৰিব নেলাগে এনে ধৰণৰ প্ৰচাৰ কাৰ্য্য ৰাইজৰ মাজত চলাব লাগে। আৰু যাতে কায়িক শ্ৰমৰ বিনিময়ত আনৰ দেশলৈ যোৱা ধন আমাৰ মাজতেই ৰৈ যায়।

শ্ৰীচামচুল হুদা :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে এইটো কথা জানেনে যে যি সময়ত গাৱঁৰ এহেজাৰ, দুহেজাৰ মানুহে কায়িক শ্ৰমৰ অভাৱত নিবনুৱা হৈ গাৱঁ-ভুৱেঁ ঘুৰি ফুৰিছিল আৰু সেই সময়তেই আমাৰ চৰকাৰে বাহিৰৰ পৰা মানুহ আনি কামত লগইছিল ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— অধ্যক্ষ মহোদয়, আমি সেই খবৰ পোৱা নাছিলো আৰু সেয়েহে বাহিৰৰ পৰা মানুহ অনাৰ সিদ্ধান্ত লৈছিলো। যদি এতিয়া আমাক এনেকুৱা খবৰ দিব পাৰে, তেন্তে আমি ব্যৱস্থা

লব পাৰো ।

মাননীয় অধ্যক্ষ :— এই বিষয়টোতে ১৫ মিনিট সময় লোৱা হ'ল। নিবনুৱা সমস্যাটো এটা বিৰাট সমস্যা । এই সমস্যা সমধান কৰিবলৈ বহুতো সময় লাগিব । মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিজেই ইয়াৰ উত্তৰ দিছে । বহুতো প্ৰশ্নৰ উত্তৰ দিয়া হলেই । গতিকে আমি পিচৰ বিষয়লৈ আহে ।

## বিষয় চিগাৰেট ফেক্টৰী

শ্ৰীমুকুট শৰ্ম্মাই সুধিছে :

* ৪৯। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত এটি চিগাৰেট ফেক্টৰী স্থাপন কৰাৰ কথা চৰকাৰে বিবেচনা কৰিছে নেকি ?

(খ) যদি কৰিছে, উক্ত ফেক্টৰী কোন ঠাইত আৰু কেতিয়াৰ পৰা স্থাপন কৰা হব ?

শ্ৰীজগন্নাথ সিংহ ( উদ্যোগ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৪৯। (ক)—তেনেকুৱা এটা প্ৰস্তাৱ বিবেচনাধীন আছিল। অসম ঔদ্যোগিক উন্নয়ন নিগমে ৩০।৭।৭১ ইং তাৰিখে ৪৫৫ লাখ টকা ব্যয়ৰ এটি চিগাৰেট কাৰখানা স্থাপন কৰাৰ বাবে "ইচ্ছাপত্ৰ" ( Letter of Intent ) আৰু ১।৫।৭৫ ইং তাৰিখে এখন লাইচেন্স পাইছিল। গোল্ডেন টোবাকো কোংৰ লগত নিগমে ইতিমধ্যে চুক্তিত আৱদ্ধ হৈছিল। কিন্তু ভাৰত চৰকাৰ আৰু বিত্তীয় অনুষ্ঠান

সমূহে এই উদ্যোগ নিম্ন গুৰুত্ব খণ্ডৰ উদ্যোগ বুলি বিবেচনা কৰাত আৰু সহযোগী পৰিচালক সংস্থা "নিটকই" ( NEITCO ) এই উদ্যোগত বৰ্ত্তমান টকা নখটাবলৈ পৰামৰ্শ দিয়াত প্ৰকল্পটি কাৰ্য্যকাৰী কৰা স্থগিত ৰখা হয়।

(খ)—সিদ্ধান্ত স্থগিত ৰখাৰ পৰিপ্ৰেক্ষিতত বৰ্ত্তমানে এই প্ৰশ্ন নুঠে।

শ্ৰীমুকুট শৰ্ম্মা :— মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ

পৰা জানিব বিচাৰিছো যে কি কাৰণে এই চিগাৰেট উদ্যোগত বৰ্ত্তমান টকা নখটাবলৈ সিদ্ধান্ত কৰিছে মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— অধ্যক্ষ মহোদয়, এই বিষয় কোৱা হৈছেই এই উদ্যোগ নিম্ন গুৰুত্ব খণ্ডৰ উদ্যোগ বুলি বিবেচনা কৰাত এই সিদ্ধান্ত লোৱা হ'ল ।

শ্ৰীফণী মেধি :— মাননীয় অধ্যক্ষ মহোদয়; মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে ইন্দিয়ান গণ্ডেন টবেক' কোম্পানীটো "নিটকৃই" হাতত আছে নে অন্য বিদেশী কোম্পানীৰ হাতত আছে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— অধ্যক্ষ মহোদয়, এইটো বিচাৰ কৰি চাব লাগিব ।

শ্ৰীকূলবাহাদুৰ ছেত্ৰী :— মাননীয় অধ্যক্ষ মহোদয়, ধূম পান কৰাটো বেয়া কথা । কাগজ-পত্ৰই আজি কালি প্ৰকাশ হৈ আছে যে ধূম পানে মানুহৰ স্বাস্থ্য নষ্ট কৰে সেই পৰিপ্ৰেক্ষিততে চৰকাৰে এনে ধৰণৰ চিগাৰেট ফেক্টৰী খোলাৰ প্ৰস্তাৱ নাকচ কৰিবনে আৰু

ভৱিষ্যতে যদি তেনে প্ৰস্তাৱ আছে সেইবোৰ নাকচ কৰিবনে ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, উদ্যোগৰ ক্ষেত্ৰত শেষত লাভজনক হয়নে নহয়, তাৰ্লৈ চাইহে সেই বিষয়ত বিবেচনা কৰা হব ।

শ্ৰীমুকুট শৰ্ম্মা :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে ভবিষ্যতে এনে উদ্যোগ গঢ়ি উঠাটো উচিত হবনে আৰু তেখেতে এনে উদ্যোগ গঢ়ি উঠাটো প্ৰয়োজন বুলি ভাবেনে ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, এতিয়া এই উদ্যোগৰ সন্দৰ্ভত চিন্তা কৰা হোৱা নাই । এইটো লাভ লোকচানৰ ওপৰত নিৰ্ভৰ কৰে । তাৰোপৰি কেচা মাল যথেষ্ট পৰিমাণৰ হলেহে চিন্তা কৰি চাব পাৰি । এনে উদ্যোগ আগতে গঢ়ি উঠিছিল আৰু বাহিৰৰ পৰা কেচামালৰ যোগান ধৰি । কিন্তু তাত প্ৰায় ভাগ লোকচানেই দেখা যায় । যদি কেচামালৰ পৰিমাণ দেশৰ ভিতৰতে বেচিকৈ যোগাৰ হয়, তেতিয়া এই বিষয়ে পৰীক্ষা নিৰিক্ষা কৰি চাব লাগিব ।

শ্ৰীফণী মেধী :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে মোৰ প্ৰশ্নৰ সঠিক উত্তৰ নিদিলে । কিন্তু মই গম পাইছো ইন্দিয়ান গল্ডেন টৰেক' কোম্পানীটো কোনো ভাৰতীয় মালিক বা "নিট্‌কই" সংস্থা আদিৰ হাতত নাই । এই কোম্পানীটো ৰিদেশী মালিকহে চলাই আছে আৰু ইয়াত মন'পলিষ্ট পলিচি চলাই আছে । গতিকেই আমাৰ দেশীয় লোকক মিছা অজুহাতত দেখুৱাই এই উদ্যোগত টকা নখটোৱাবলৈ পৰামৰ্শ দিছে আৰু ইয়াতে পতিয়ন গৈ আমাৰ দেশত এই উদ্যোগ গঢ়ি উঠাত বাধা দিয়াটো সাম্ৰা-

জ্যবাদী নমুনাৰেই নিদৰ্শন বুলি মন্ত্ৰী মহোদয়ে স্বীকাৰ কৰেনে নকৰে ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, প্ৰথমতে এই উদ্যোগটো বিদেশী কোম্পানীৰ হাতত আছিল নে নাই এই খবৰ মোৰ হাতত নাই। যদি বিদেশী কোম্পানীয়ে এতিয়াও মন'পলি পলিচি চলাই আছে, ভবিষ্যাত তেওঁলোকক সুবিধা দিয়া নহ'ব।

ম: ইদ্ৰিছ আলি :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এইটো জানিব বিচাৰিছো যে এই উদ্যোগটো ল' প্ৰায়ৰিটি উদ্যোগ বুলি ইয়াত টকা খটোৱাবলৈ নিদিলে। এই উদ্যোগটো এগ্ৰ' বেচড উদ্যোগ হয় নে নহয় ? আৰু যদি হয় এইটো ইকনমিকেল ভায়েবোল হয় নে নহয়। যদি হয় বুলি পৰামৰ্শ দিছে তেনে হলে আমাৰ চৰকাৰে এগ্ৰ' বেচড হিচাবে অতি পিচপৰা অঞ্চলত এই উদ্যোগটো স্থাপন কৰি সেই অঞ্চলৰ কৃষকৰ আৰ্থিক উন্নতিৰ কাৰণে এই উদ্যোগটো প্ৰতিষ্ঠা কৰাৰ কাৰণে পুনৰ বিবেচনা কৰি চাব নে।

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, সেই বিষয়ে আমি নিশ্চয় বিবেচনা কৰি চাম।

**বিষয় আকস্মিক ভাবে ঘৰ পোৰা বা ধুমুহাত ঘৰ ক্ষতিগ্ৰস্ত হোৱা লোকক দিয়া সাহায্য**

শ্ৰীৰবীন্দ্ৰ নাথ মালাকাৰে সুধিছে :

* ৫০। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) আকস্মিক ঘৰ পোৰা বা ধুমুহাত ঘৰ ক্ষতিগ্ৰস্ত হলে কেনে ধৰণৰ

সাহায্য এই দুৰ্দ্দশাগ্ৰস্ত মানুহক আগবঢ়োৱা হয় ?

(খ) এই কথা সচাঁ নেকি, যে পুৰ্ব্বৰ আইন মতে মাথো ২৫.০০ (পচিশ) টকাহে তেনেকুৱা ক্ষতিগ্ৰস্ত লোকলৈ সাহায্য আগবঢ়াব পাৰি ?

(গ) যদি সচাঁ, তেন্তে বৰ্ত্তমান অৰ্থনৈতিক দুৰাৱস্থাৰ দিনত এই সাহায্য ২৫ (পচিশ) টকাৰ পৰা ৫০০ টকালৈ বৃদ্ধি কৰিবৰ কাৰণে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (ৰাজহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৫০। (ক)—তৎকালীন আনুতোষিক সাহায্য হিচাবে নগদ আৰু কানি-কাপোৰ দিয়াৰ ব্যবস্থা আছে। ঘৰ সম্পূৰ্ণ ভাৱে নষ্ট হলে প্ৰতি পৰিয়ালক ৩০০ টকালৈ আৰু আংশিক ভাৱে নষ্ট হোৱা ঘৰৰ বাবে প্ৰতি পৰিয়ালক ১০০ টকা পৰ্য্যন্ত পুনঃ সংস্থাপন অনুদান দিয়া হয়। ইয়াৰ উপৰিও পুনঃ সংস্থাপন ঋণ দিয়াৰ ব্যৱস্থাও আছে।

(খ)—এনে কোনো আইন নাই।

(গ)—প্ৰশ্ন নুঠে।

শ্ৰীৰবীন্দ্ৰ নাথ মালাকাৰ :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে ঘৰ-বাৰী পুৰিলে তিনিশ টকা আৰু আংশিক ভাৱে পুৰিলে প্ৰতি পৰিয়ালক এশ টকা দিয়া হয়। কিন্তু প্ৰকৃততে ডি, চি, অফিচৰ পৰা মাত্ৰ ২৫ টকাহে দিয়া হয়, তাতকৈ বেচি দিয়া হোৱা নাই। যদি কোনোবা ব্যক্তিক কোনোবা মন্ত্ৰীয়ে ব্যক্তিগত ভাবেহে দিছে, সেই কথাটো ভালকৈ চালি জাৰি চাই কিবা এটা সু-ব্যৱস্থা কৰিব নে ?

শ্ৰীলক্ষেশ্বৰ গোহাই (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, সম্পূৰ্ণকৈ পুৰিলে তিনিশ টকা আৰু আংশিক ভাবে পুৰিলে এশ টকাকৈ দিয়াৰ কথাটো আছেই। যদি তেনে কোনো আসোৱাহ এই ক্ষেত্ৰত আছে, ব্যৱস্থা লোৱা হ'ব।

শ্ৰীবানেশ্বৰ শইকীয়া :— মাননীয় অধ্যক্ষ মহোদয়, সম্পূৰ্ণ ঘৰ-বাৰী পুৰিলে যে ২৫ টকাকেহে প্ৰকৃত পক্ষে দিয়া হয়, সেই কথাটো মন্ত্ৰী মহোদয়ে হয়তো খবৰ নেপায়। গতিকে এই বিষয়ত বিশেষ মনোযোগ দি মন্ত্ৰী মহোদয়ে প্ৰকৃত ভুক্তভোগী সকলক সাহাৰ্য্য আগবঢ়াবলৈ ব্যৱস্থা হাতত ললে ভাল হয় আৰু তিনিশ টকাতকৈ বেচি সাহায্য দিব পাৰি নেকি তাৰ ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰিবনে ?

শ্ৰীলক্ষেশ্বৰ গোহাই (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, তিনিশ টকাকে বেচি দিব পাৰি নেকি চাব লাগিব।

শ্ৰীবানেশ্বৰ শইকীয়া :— মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যদিও কৈছে যে তিনিশ টকাকৈ প্ৰতি বিধস্ত পৰিয়ালকে দিয়া হয়, আচলতে ডি চিক এই বিষয়ে আবেদন কৰিলে দিশপুৰৰ পৰা হুকুম নেপালে দিয়া নহয় বুলি কয়। এনে অৱস্থা কিয় হবলৈ পালে মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীলক্ষেশ্বৰ গোহাই (মন্ত্ৰী)— অধ্যক্ষ মহোদয়, চৰকাৰী মেনুৱেলত আচলতে সম্পূৰ্ণ ধ্বংশ হলে তিনিশ টকা আংশিক ভাবে হলে এশ টকা আৰু এক্স গেচীয় হিচাবে ২৫ টকাকে দিয়াৰ ব্যৱস্থা আছেই।

শ্ৰীবানেশ্বৰ শইকীয়া :— এই যে ২৫ টকাতকৈ বেছি দিব নোৱাৰে সাহায্য হিচাপে এক্সগ্ৰেচিয়া হওক বা বি গ্ৰেচিয়াই হওক উপাযুক্ত বা মহকুমাধিপতি সকলে ২৫ টকাৰ বেছি সাহায্য দিব নোৱাৰে।

মন্ত্ৰী মহোদয়ে কৈছে যে ১০০ৰ পৰা ৩০০ টকালৈকে দিয়াৰ ব্যৱস্থা আছে সেইটো নতুন কথা নহয় নে ?

শ্ৰীলক্ষেশ্বৰ গোঁহাই ( ৰাজহ মন্ত্ৰী ) :— ২৫ টকা তত্‌কালীন সাহায্য হিচাপে দিয়া হয়-ক্ষয় ক্ষতিৰ ওপৰত যদি কৃষি পথাৰ নষ্ট হয় তত্-কালীন সাহায্য আগবঢ়াবৰ কাৰনে, কিন্তু পৰীক্ষা নিৰক্ষা কৰি ক্ষয় ক্ষতিৰ পৰিমান বেছি পালে ১০০ৰ পৰা ৩০০ লৈকে দিয়াৰ ব্যৱস্থা আছে।

শ্ৰীচামচুল হুদা :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এইটো কথা স্বীকাৰ কৰিবনে যে বিভিন্ন জিলাত উপাযুক্ত বা মহকুমাধিপতি সকলে এতিয়ালৈকে ২৫ টকাৰ বেছি সাহায্য দিব নোৱাৰে এই ধৰনৰ নিৰ্দ্দেশ আছে ?

শ্ৰীগোলাপ চন্দ্ৰ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— বেছি দিয়াৰ নিয়ম আছে। মই জনাত মৰিয়নীত যি বিলাক ঘৰ দুৱাৰ পুৰিছে তাত ২০০ৰ পৰা ৩০০ লৈকে টকা সাহায্য দিয়া হৈছে।

শ্ৰীভূবনেশ্বৰ বৰ্ম্মন :— মই মন্ত্ৰী মহোদয়ৰ পৰা এটা নতুন কথা সদনত শুনিছো। ১০০ টকাৰ পৰা ৩০০ টকালৈকে সাহায্য দিয়া এই নিয়মটো শুনি ভাল পাইছো। মই জানিব বিচাৰিছোঁ যোৱা বছৰ বৰপেটা মহকুমা আৰু অন্যান্য জিলাৰ যি বিলাক ঘৰ দুৱাৰ পুৰিলে সেই বিলাকত কিমান টকা সাহায্য আগবঢ়াইছে তাৰ এটা তথ্য সদনত দাঙি ধৰিবনে ?

শ্ৰীলক্ষেশ্বৰ গোঁহাই ( মন্ত্ৰী ) :— এইটো বেলেগ প্ৰশ্ন হব।

শ্ৰীভূবনেশ্বৰ বৰ্ম্মন :— বৰপেটা মহকুমাৰ পাটাছাৰকুছি সমষ্টিৰ খাৰাজান গাওঁ এখন জুইত নিচিন্ন হৈ গৈছে, কিন্তু আজিলৈকে টকা পইচা পোৱা নাই। সেই খবৰ মন্ত্ৰী মহোদয়লৈ এতিয়ালৈকে অহা নাইনে ?

শ্ৰীলক্ষেশ্বৰ গোঁহাই ( মন্ত্ৰী ) :— জানিহে জনাব পাৰিম ।

শ্ৰীপ্ৰেম বৰা :— মই ৰাজহ মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ যি খন ৰিলিফ মেনুৱেল বৰ্ত্তমান আছে এই খন পুৰনিকলীয়া আৰু এলান্ধু লাগিছে। তাত যিটো ২৫ টকা দিয়াৰ নিয়ম—যিজনে পাব নগৰলৈ দৰ্খাস্ত দিবলৈ আহোতে ১০ টকা খৰছ, ঘুৰিযাওঁতে ১০ টকা খৰছ আকৌ খবৰ কৰিবলৈ আহোতে ২০ টকা খৰছ মুঠতে ৪০ টকা খৰছ কিন্তু মুৰকত তেওঁ সাহায্য পাব ২৫ টকাহে মাত্ৰ। এই পৰিপ্ৰেক্ষিতত যিহেতু দুৰ্দশাগ্ৰাস্ত পৰিয়ালটোক এটা সনানভুতি দেখুৱাবৰ কাৰণে এই সাহায্য দিয়া হয় গতিকে অতি সোনকালে এই মেনুৱেল সলনি কৰি শীঘ্ৰেই উপায়ুক্ত, মহকুমাধিপতি সকলক নিৰ্দ্দেশ দিয়াৰ ব্যৱস্থা কৰিবনে যে তেওঁলোকক ৩০০ ৰ পৰা ৫০০ টকালৈ দিব লাগে ?

শ্ৰীলক্ষেশ্বৰ গোঁহাই ( মন্ত্ৰী ) :— অসম ৰিলিফ মেনুৱেল খন ৭৬ চনত নতুনকৈ প্ৰস্তুত কৰা হৈছে ই একেবাৰে পুৰনা নহয় ।

শ্ৰীপ্ৰেম বৰা :— কিন্তু এই মেনুৱেলত যে মাত্ৰ ২৫ টকা দিয়াৰহে ব্যৱস্থাহে আছে ?

শ্ৰীলক্ষেশ্বৰ গোঁহাই ( মন্ত্ৰী ) :— ২৫ টকা কৃষি ক্ষতিৰ কাৰণে তত্‌কালীন সাহায্য কোনো তদন্ত আদি নোহোৱাকৈ দিয়া হয় । কিন্তু তদন্ত পৰিক্ষা দিৰিক্ষা কৰি উপায়ুক্ত সকলে ১০০ৰ পৰা ৩০০ টকালৈকে দিয়াৰ ব্যৱস্থা আছে ?

শ্ৰীপ্ৰেম বৰা :— ৭৬ চনতেই কৰক কিন্তু এই ২৫ টকা সাহায্যটো একেবাৰে পুৰনিকলীয়া কথা নহয়নে ?

শ্ৰীলক্ষেশ্বৰ গোঁহাই ( মন্ত্ৰী ) :— হলেও ১৯৭৬ চনতে কিছু সালসলনি কৰা হৈছে ।

শ্ৰীবানেশ্বৰ শইকীয়া :— ২৫ টকা এক্সগ্ৰেচিয়া সাহায্য হিচাপে দিয়া কথাটো ১৯৭৬ চনতে কৰা হয় যদিও সেই চৰকাৰে উচিত নহয় বুলি বিবেচনা কৰা নাইনে ?

শ্ৰীলক্ষেশ্বৰ গোঁহাই ( মন্ত্ৰী ) :— এইটো এটা তত্‌কালীন সাহায্য মাত্ৰ । কিন্ত বেছি ক্ষয়ক্ষতি হলে ৩০০ পৰ্য্যন্ত দিয়াৰ নিয়ম আছে বুলি মই আগতেই কৈছো ।

শ্ৰীফনী মেধি :— মন্ত্ৰী মহোদয়ে ২৫ টকা সাহায্য দিয়াৰ কথাটো স্বীকাৰ কৰিবলৈ লাজ পাইছে । লাজ পোৱাৰ কাৰন..........

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ( সংসদী পৰিক্ৰমা মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, পইন্ট অৱ অৰ্ডাৰ । এই লাজ পোৱা কথা হব নোৱাৰে.................. ( সদনত পুনৰ হুলস্থূল একো শুনা নাযায় ) ।

Mr. Speaker :— It is the duty of each and every member to raise a particular objection for a particular word used by any Hon'ble Member. The Hon'ble Member used the word "laj"; this should be withdrawn.

শ্ৰীআলতাফ হুচেইন মজুমদাৰ :— মাননীয় সদস্য সকলে তেওঁলোকৰ অভিজ্ঞতাৰ ফালৰ পৰাই কৈছে যে বাস্তৱ ক্ষেত্ৰত ২৫ টকা দিয়াৰ নিয়ম হে চলি আছে । আৰু মন্ত্ৰী মহোদয়ে কৈছে যে ৩০০ টকাকৈ দিব পৰা যায় । মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যদি ৩০০

টকালৈকে দিব পৰা যায়েই তেনেহলে উপাযুক্ত, মহকুমাধিগতি সকলক এই ব্যৱস্থা কাৰ্য্যকৰী কৰিবলৈ নিৰ্দ্দেশ দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীলক্ষেশ্বৰ গোহাই (মন্ত্ৰী) :— তাৰ ব্যৱস্থা আছেই। কোনো কোনো জিলাত দিয়া হৈছে। যদি মাননীয় সদস্য সকলে দৰ্কাৰ বিবেচনা কৰে আকৌ নিৰ্দ্দেশ দিম।

শ্ৰীদীপক ভট্টাচাৰ্য্য :— অমি মুখ্যমন্ত্রী মহোদয়ের নিকট থেকে জানতে চাই যে এই তদন্ত করতে কত বছর লাগবে এবং এদের ক্ষতি পুরন দিতে কতদিন লাগবে তার কোন নির্ধারিত সময় সীমা আছে কি ?

দ্বিতীয়ত : এই হতভাগ্য লোকদের ঘর দ্বংস হয়ে যাওয়ার পরে রাতারাতি তারা ঘর তৈরী করতে পারে না এবং ফলে তাৰা সাৰা ৰাত মুক্ত আকাশের নিচে থাকতে বাধ্য হয়েছে। স্নুতরাং এদেরে সাময়িক ভাবে সরকারের তরফ থেকে টারপুলিন দেওয়ার ব্যবস্থা করবেন কি ?

( উত্তর নাই। )

শ্ৰীযোগেন গগৈ :— অধ্যক্ষ মহোদয়, এই দুৰ্দ্দশাগ্ৰস্ত পৰিয়াল সমূহক ২৫ টকাকৈ দিয়াৰ কথা কৈছে। কিন্তু ইয়াক আনিবলৈ যাওঁতে ৩ দিন সময় লাগে তাৰোপৰি কেৰাণী মহৰীক ঘোষ দিওঁতে ৫০ টকা মান যায়—

( সদনত হুলস্থুল )

শ্ৰীমুকুট শৰ্ম্মা :— অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বিচাৰিছো যে তেখেতে বিধান সভাত যি আশ্বাস দিছে সেইমতে আজিৰ পৰা ২৫ টকাৰ ঠাইত ৩০০ টকাকৈ পাব নেকি ?

শ্রীলক্ষেশ্বৰ গোহাই (মন্ত্ৰী) ঃ— সম্পূৰ্ণ যদি সা-সম্পত্তি নষ্ট হয় তেতিয়াহলে ৩০০ টকা পাব, আংশিক ভাবে হলে ১০০ টকা পাব আৰু এনেয়ে ২৫ টকাকৈ সাহায্য দিয়া হব।

বিষয় ঃ মন্দিয়া জলসিঞ্চন আঁচনি

শ্ৰীএম, ইব্ৰাহিম আলীয়ে সুধিছে ঃ

* ৫১। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বৰপেটা মহকুমাৰ মন্দিয়াত প্ৰতিষ্ঠিত জলসিঞ্চন আচনিৰ যোগেদি কিমান বিঘা মাটিত এইবাৰ পানী যোগান দিয়া হৈছে ?

(খ) এই আচনিখন বহু সময়ত অচল হৈ থকা কথাটো চৰকাৰে জানেনে ?

(গ) যদি জানে, কাৰণ জনাবনে ?

শ্ৰীএ, এফ, গোলাম ওছমানীয়ে ( জলসিঞ্চন বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

৫১। (ক)—মন্দিয়া জলসিঞ্চন আচনিৰ বিভিন্ন কেন্দ্ৰ সমূহৰ যোগেদি এই বছৰ ( ১৯৭৮-৭৯ চনত ) তলত দিয়া ধৰনে পানী যোগান ধৰা হৈছে ঃ—

আগতীয়া আহু—২০,৩২ হেক্টৰ ( ১৫২ বিঘা )

গম—১৫,৩০ হেক্টৰ ( ১১৫ বিঘা )

(খ)— এই আচনি খন অচল অৱস্থাত থকা নাই। বিভিন্ন খেতিৰ বতৰত খেতিয়কে বিচৰামতে উপযুক্ত পৰিমানে পানীৰ যোগান ধৰি থকা হৈছে। অৱশ্যে কেতিয়াবা বৈদ্যুতিক বিজুতিৰ বাবে সাময়িক ভাবে পানী যোগান ব্যৱস্থা বিঘানত হয়।

(গ)— উপৰোক্ত উত্তৰৰ সন্দৰ্ভত প্ৰশ্ন

শ্ৰীএম, ইব্ৰাহিম আলী :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে এই আচনিখন অচল অৱস্থাত থকা নাই। মই তেখেতক অনুৰোধ কৰিব খুজিছো যে মন্দিৰাৰ যিটো পইন্ট আছে তাৰ নলা বিলাক বেলেগে বেলেগে ঠাইত সিঁচৰিত হৈ আছে। যোৱা পৰহি মই সেইবোৰ চাই আহিছো নলাবোৰ লগ লাগি থকা নাই। এইবিলাক লগলগাই পানী দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীএ, এফ, গোলাম ওচমানি (মন্ত্ৰী) :— সেইটো অনুসন্ধান কৰি চাব লাগিব।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— মন্দিৰা জলসিঞ্চন যিটো আচনি সেই আচনিৰ জৰিয়তে কিমান হেক্টৰ মাটিত পানী যোগানৰ লক্ষ্য স্থিৰ কৰা হৈছিল আৰু সেই লক্ষ্যত উপনিত হব পাৰিছেনে ?

শ্ৰীএ, এফ, গোলাম ওচমানী (মন্ত্ৰী) :— এইটোৰ অৰিজিনেল মুঠ এৰিয়া আছিল ৪০০ একৰ। তাৰ ভিতৰত এক শ একৰত পানী যোগান দিব পৰা হৈছে। এক্সটেনচন আচনিত ১’২০০ একৰৰ ভিতৰত ৫০ একৰত দিব পৰা হৈছে আৰু ২০০ একৰৰ ভিতৰত ১০০ একৰত পানী যোগান দিব পৰা হৈছে।

শ্ৰীএম, ইব্ৰাহিম আলী :— উন্নত জাতৰ গম খেতি কৰিবলৈ বিধান দিয়াৰ পিচত খেতিয়কে সেই বিধান দি খেতি কৰিলে যদিও পানীৰ অভাৱত গোটেইবিলাক নষ্ট হৈ গৈছে। এইটো খবৰ কৰি ব্যৱস্থা কৰিবনে ?

শ্ৰীএ, এফ, গোলাম ওচমানী :— (মন্ত্ৰী) এই বিষয়ে খবৰ লৈছো আৰু চেলো টিউবৱেলৰ কাৰণে আচনি লোৱা হৈছে।

শ্ৰীপ্ৰসাদ দলৈ :— অধ্যক্ষ মহোদয়, যদিও এইটো মন্দিয়া জলসিঞ্চনৰ প্ৰশ্ন,

জলসিঞ্চন মন্ত্ৰীৰ পৰা মই জানিব বিচাৰিছো যে জাগীৰোডৰ জলসিঞ্চন ব্যৱস্থাটো আজি ৬ মাহ ধৰি বন্ধ হৈ থকাৰ কাৰণে গোটেই অঞ্চলৰ মানুহে পানী পোৱাৰ পৰা বঞ্চিত হৈছে। এই ব্যৱস্থা সম্পৰ্কত মন্ত্ৰী মহোদয় ৰাইজৰ পৰা কিবা আপত্তি পাইছে নেকি, যদি পাইছে কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীএ, এফ, গোলাম ওচমানী (মন্ত্ৰী) :— জাগীৰোডৰ আচনিৰ সম্পৰ্কত মাননীয় সদস্যই মোৰ লগত আলোচনা কৰিছিল। এইটো হৈছে কেনেল লাইনিঙৰ কাৰণে সাময়িক ভাবে পানী যোগান বন্ধ হৈ আছে। আমি এইটো সোনকালে ভাল কৰি পানী যোগাকৰ ব্যৱস্থা কৰিম।

শ্ৰীপ্ৰসাদ দলৈ :— সেইটো ভাল কৰোতে কৰোতে ৰাইজে খেতি কৰিবলৈ নেপাই দুৰ্যোগৰ সৃষ্টি হব এইটো জানেনে ?

শ্ৰীএ, এফ, গোলাম ওচমানী (মন্ত্ৰী) :— এইটো মেৰামতি কৰিবই লাগিব। আৰু এই অসুবিধাখিনি মিট্ কৰিবই লাগিব।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— মোৰ পৰিপূৰক প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে কৈছে যে ৫০ একৰৰ ঠাইত ২০ একৰত পানী দিছে, ২০০ একৰৰ ঠাইত ১০০ একৰত পানী দিয়া হৈছে। এইটোৱে সন্তোষজনক হোৱা নাই এইটো কথা মন্ত্ৰী মহোদয়ে স্বীকাৰ কৰেনে ? যদি স্বীকাৰ কৰে তেতিয়াহলে অহা বছৰৰ ভিতৰতে লক্ষ্যত উপনিত হবলৈ চেষ্টা কৰিবনে ?

শ্ৰীএ, এফ, গোলাম ওচমানী (মন্ত্ৰী) :— যিটো লক্ষ্য আছে সেইটোত উপনিত হব পৰা নাই। তাত কেনেল হোৱা নাছিল তাৰ কাৰণেই অনুসন্ধান কৰা হৈছে।

শ্ৰীচামচুল হুদা :— মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে ৩২ বছৰীয়া অভিজ্ঞতাৰ পৰা দেখিবলৈ পাইছো যে জলসিঞ্চন বিভাগে জলসিঞ্চনৰ আচনি তৈয়াৰ কৰি দিয়াৰ পিচত এই বিভাগৰ আগ্ৰহ কমি যায়। প্ৰতিটো জলসিঞ্চন আচনি কাৰ্যকৰী হোৱাৰ পিচত ৰাইজ যাতে উপকৃত হয় তাৰ কাৰণে চেষ্টা কৰিবনে ?

শ্ৰীএ, এফ, গোলাম ওচমানী (মন্ত্ৰী) :— সেইকাৰণে আমি মহকুমা পৰ্য্যায়ত জনপ্ৰতিনিধিক লৈ কমিটি কৰাৰ ব্যৱস্থা কৰিছো যাতে এই কমিটিয়ে ই কাম চাব পাৰে।

শ্ৰীনিশীথ রঞ্জন দাস :— মাননীয় অধ্যক্ষ মহোদয়, আমাদের সারা রাজ্যে বর্তমানে চলছে জলেরজন্য কৃষক হাহাকার করছে। মাননীয় মন্ত্রী মহোদয় জানবেন কি যে এই দপ্তরের ভার তার হাতে আসার পর আমাদের রাজ্যে কত বিঘা জমিতে জল সিঞ্চনের উদ্যোগ নেওয়া হয়েছে ?

শ্ৰীএ, এফ, গোলাম ওসমানি (মন্ত্ৰী) :— খরা যে কেবল কাছার জেলায় চলছে তা নয়। সারা রাজ্যেই খরা চলছে। আর এটও ঠিক যে কাছার জেলায় পূর্বে জল সিঞ্চনের সেই রকম কোন ব্যবস্থা ছিল না

শ্ৰীনিশীথ রঞ্জন দাস :— সমস্ত রাজ্যে কত বিঘা জমিতে জল সিঞ্চন করা হয়েছে ?

শ্ৰীএ, এফ, গোলাম ওসমানি ( মন্ত্ৰী ) :— এসম্পর্কে একটা ভিন্ন প্রশ্ন করলে উত্তর দিতে পারবো।

Re :— Rural Water Supply Schemes in Tezpur Subdivision

Shri GOLOK RAJBANSHI asked :

* 52. Will the Minister, Health be pleased to state—

(a) How many Rural Water Supply Schemes have been taken up by the Government during this financial year in Tezpur Subdivision ?

(b) Whether it is a fact that new schemes have been taken up in different areas without considering the schemes approved by the Department earlier ?

Dr: KOSHESWAR BORA ( Minister of State, Health ) replied :

52. (a)— 9 Nos: of Piped Water Supply Schemes, 88 Nos: of Hand Tube Wells and 66 Nos: of Ring Wells have been taken up by the Government during this current financial year in Tezpur Civil Subdivision: The Allocation for 1978-79 is Rs. 13.502 lakhs approximately.

(b)— No:

শ্ৰীগোলক ৰাজবংশী :— অধ্যক্ষ মহোদয়, ডিপ টিউব্ ৱেলৰ যি কেইটা আচনি লৈছে সেই কেইটাৰ বিষয়ে কবনে ?

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, তেজপুৰৰ ৯টা আচনিৰ ভিতৰত ডেকাৰ গাওঁ, নাগশংকৰ, পাবৈ, কলাবাৰী, নৰ্থচতীয়া, দু

গাওঁ, ঢেকি দল, ৰৌতা আৰু জিঙ্গিয়া, এই কেইটা আচনি লোৱা হৈছে।

শ্ৰীগোলক ৰাজবংশী :— এই ৯ টাৰ ভিতৰত কোন কেইটাৰ কাম হৈছে ?

ডঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) :— ডেকাৰ গাওঁ, নৰ্থচতীয়া আৰু দ গাওঁৰ কাম আৰম্ভ কৰা হৈছে।

শ্ৰীগোলক ৰাজবংশী :-- যি তিনিটাৰ কাম আৰম্ভ কৰা হৈছে তাৰ ভিতৰত যে দুটা মন্ত্ৰীৰ সমষ্টিতেই এই কথা সচানে ?

ড: কোষেশ্বৰ বৰা (মন্ত্ৰী) :— এইটো হব পাৰে। য'ত পানীৰ দৰকাৰ হৈছে আৰু য'ৰ প'ৰা আচনি আহিছ তাতেই পানী দিয়া হৈছে।

শ্ৰীগোলক ৰাজবংশী :— মই জানিব বিচাৰিছো যে চিৰিয়েলি কোনো কোনো নম্বৰত থকা এই কেইটা আচনি ?

ড: কোষেশ্বৰ বৰা ( মন্ত্ৰী ) :— চিৰিয়েলি প্ৰথমতে ডেকাৰ গাওঁ আচনি, এইটো কৰা হৈছে। তাৰ পিচত নৰ্থ চুতীয়া আচনি কৰা হৈছে। আপোনালোকে শুনি সুখী হব যে তেজপুৰ মহকুমাত ১১টা আচনি লোৱা হৈছে তাৰ ভিতৰতে এই বছৰ ৯টা আচনি লোৱা হৈছে। ইয়াত অন্যান্যৰ তুলনাত বহুতো আচনি লোৱা হৈছে। আৰু গোটেই বিলাকৰ কাম কৰিবলৈ চেষ্টা কৰিছো।

Mr: Speaker :— Question hous is over.

Undisposed Starred Questions dated 28-2-79:

**বিষয় ঃ দীঘলী পুখুৰী পাৰৰ নবীন বৰদলৈ হল আৰু সন্দিকৈ ছোৱালী কলেজৰ মাজত গুৱাহাটী পৌৰ নিগমৰ কাৰ্য্যালয়ৰ বাবে দুমহলীয়া ঘৰ বন্ধাৰ আঁচনি**

শ্ৰীহৰেন্দ্ৰ গোস্বামীয়ে সুধিছে :

* ৫৩। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) দিঘলী পুখুৰী পাৰত থকা নবীন বৰদলৈ হলৰ আৰু সন্দিকৈ কলেজৰ মাজত গুৱাহাটী পৌৰ নিগম প্ৰশাসনে এটা তিনিমহলীয়া অট্টালিকা বান্ধিবলৈ যোজা কৰিছে নে ?

(খ) যদি কৰিছে এই অট্টালিকাত কিমান খৰছ হব আৰু কেতিয়াকৈ সম্পূৰ্ণ হব ?

শ্ৰীজেহিৰুল ইচলাম ( পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে :

৫৩। (ক)— দীঘলী পুখুৰী পাৰত থকা নবীন বৰদলৈ হলৰ আৰু সন্দিকৈ ছোৱালী কলেজৰ মাজৰ গুৱাহাটী পৌৰ নিগমৰ নিজৰ মাটিত নিগমৰ কাৰ্যালয়ৰ কাৰণে এটা দুমহলীয়া ঘৰ বান্ধিবলৈ আচনি যুগুত কৰিছে।

(খ)— আচনি মতে প্ৰথম দুমহলাৰ আনুমানিক খৰছ হব প্ৰায় ১২,৫৬,২৯১ টকা। টকা যোগাৰ হলে এই কাম সম্পৰ্ণ হবলৈ প্ৰায় দুবছৰ কাল লাগিব।

## বিষয় ঃ খৰখৰী নদীৰ উত্তৰ পাৰৰ চৰ অঞ্চল

শ্ৰীউমেশ চন্দ্ৰ দাসে সুধিছে :—

* ৫৪। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বকো সমষ্টিৰ ছমৰীয়াৰ পৰা সোণতলীলৈকে থকা ৮ মাইলৰ বাহিৰে খৰখৰী নদীৰ উত্তৰ পাৰে প্ৰায় ২ লাখ জনসংখ্যা থকা চৰ অঞ্চলটোত এটিও P. W. D. ৰাস্তা নথকা কথাটো চৰকাৰে

জানেনে ?

(খ) যদি জানে, তেন্তে এই দুই লাখ জনসংখ্যাৰ সুবিধাৰ বাবে চৰকাৰে উক্ত অঞ্চলত নতুনকৈ ৰাস্তা নির্মাণ কৰাৰ কিবা আঁচনি লৈছে নেকি ?

(গ) তৎকালীন ব্যৱস্থা হিচাবে ভখুৰাদিয়াৰ পৰা সোণতলীলৈকে থকা মথাউৰীটোকে Road-cum-Embankment হিচাবে লোৱাৰ সিদ্ধান্ত চৰকাৰে কৰিবনেকি ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে :

৫৪। (ক)— নেজানে।

(খ)— গাওঁ অঞ্চলৰ নতুন ৰাস্তা পথ সাধাৰণতে নিম্নতম চাহিদা আঁচনিৰ শিতানত কৰা হয়। এইবাবে বিধায়কসকলক এই বিত্তীয় বছৰত দুই লাখকৈ টকা দিয়া হৈছিল। তাৰে ৩০,০০০ হেজাৰ টকাৰে নের্ডলদোৰা-যোগীপাৰা ৰাস্তাৰ ৫৫০ মিটাৰ বৰ্দ্ধিতকৰণৰ কাম চলি আছে।

(গ)— গড়কাপ্তানী বিভাগে কাৰিকৰী দিশৰ ৰৰা মথাউৰী Road-cum-Embankment হিচাবে লোৱাটো পৰামৰ্শ আগনবঢ়ায়। যিহেতু এই মথাউৰীৰ সংৰক্ষণৰ দায়িত্ব বান নিয়ন্ত্ৰণ বিভাগৰহে, এই মথাউৰীটে Road-cum-Embankment হিচাবে মুকলি কৰি দিব খুজিলে সেই বিভাগে নিজাকৈ সিদ্ধান্ত লব লাগিব।

### বিষয় : অসমৰ স্থায়ী ৰাজধানীৰ স্থান

শ্ৰীখগেন বৰবৰুৱাই সুধিছে :

* ৫৫। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ স্থায়ী ৰাজধানীৰ স্থান নিৰ্ণয় কৰা হৈছে নেকি?

(খ) যদি হৈছে, ক'ত আৰু কেতিয়াৰ পৰা হ'ল?

(গ) কি কি কাৰণত এই স্থান বচা হ'ল?

(ঘ) অন্য কোন কোন স্থানৰ কথা ভবা বা আলোচনাৰ ভিতৰলৈ আহিছিল জনাবনে?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে :

৫৫। (ক)— নাই হোৱা।

(খ), (গ), (ঘ)— প্ৰশ্ন নুঠে।

বিষয় : নতুন প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণী খোলাৰ ব্যৱস্থা

শ্ৰীৰবীন্দ্ৰনাথ মালাকাৰে সুধিছে :

* ৫৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) হাই স্কুলবোৰ উচ্চতৰ মাধ্যমিক (Higher Secondary) শিক্ষা কেন্দ্ৰলৈ ৰূপান্তৰিত কৰাৰ নীতি চৰকাৰে বাদ দিলে নেকি?

(খ) যদিহে দিয়া নাই, তেনেহলে নতুন প্ৰাক্-বিশ্ববিদ্যালয়ৰ শ্ৰেণী খুলিবলৈ চৰকাৰে কিয় চিন্তা কৰিলে?

(গ) নতুন প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণী খুলিবলৈ কেইখন কলেজলৈ আদেশ দিয়া হৈছে?

(ঘ) এই কলেজ কেইখনৰ নাম কি কি ?

(ঙ) এই কেইখনৰ ভিতৰত "দমদমা মহাবিদ্যালয়" ধৰা হৈছে নেকি ?

(চ) যদিহে ধৰা নাই কিয় ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( শিক্ষা বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

৫৬। (ক)— নাই দিয়া।

(খ)— বৰ্ত্তমান অৱস্থিত প্ৰাক্-বিশ্ববিদ্যালয় স্নাতক মহাবিদ্যালয় আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়বোৰত ছাত্ৰই বিচৰা অনুযায়ী ভৰ্ত্তি স্থান দিব পৰা হোৱা নাই। আনহাতে অনুন্নত আৰু পিচপৰা অঞ্চলবোৰত নতুনকৈ কিছুমান প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণী খোলাৰ দাবী কৰিছে। এইবোৰ কথা বিবেচনা কৰি চৰকাৰে পুনৰ প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণী খোলাৰ অনুমতি দিবৰ আইনগত বাধা দূৰীকৰণৰ বাবে বিশ্ববিদ্যালয় আইন সংশোধন কৰিছে।

(গ)— দিয়া নাই। গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয় আইন অনুসৰি উক্ত বিশ্ববিদ্যালয় কৰ্ত্তৃপক্ষৰ পৰা পৰামৰ্শ আগবঢ়োৱাৰ পাচতহে চৰকাৰে এই বিষয়ে অনুমোদন দিয়াৰ কথাটো বিবেচনা কৰিব।

(ঘ), (ঙ) আৰু (চ)— (গ) প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

## বিষয় ঃ নতুন শোণিতপুৰ জিলা

শ্ৰীগোলক ৰাজবংশীয়ে সুধিছে ঃ

* ৫৭। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) নতুন জিলা গঠনৰ ঘোষণাৰ সময়ত তেজপুৰ মহকুমা জিলালৈ ৰূপান্তৰিত কৰি শোণিতপুৰ নামাকৰণ কৰাৰ সিদ্ধান্তত তেজপুৰীয়া ৰাইজে আপত্তি কৰাটো সচাঁনে ?

(খ) যদি সচাঁ, এই জিলাখনৰ নামাকৰণ কৰাৰ কথাটো চৰকাৰে পুনৰ বিবেচনা কৰিবনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে :

৫৭। (ক)— সচাঁ।

(খ)— হয়, কৰিব।

**বিষয় : নগৰবেৰাত পথ পৰিবহন নিগমৰ Booking office আৰু Staff quarter নিৰ্ম্মাণৰ ব্যৱস্থা**

শ্ৰীউমেশ চন্দ্ৰ দাসে সুধিছে :

* ৫৮। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) নগৰবেৰাৰ পৰা হেক্ৰা-শিংৰা হৈ গুৱাহাটীলৈ পৰিবহন নিগমৰ দুখন বাছ চলাচল কৰা কথাটো সচাঁনে ?

(খ) যদি সচাঁ, তেন্তে এই বাছ দুখনে স্থানীয় ৰাইজৰ চাহিদা পূৰণ কৰিব পাৰিছেনে ?

(গ) যদি পৰা নাই, এই ৰাস্তাত দুখন অতিৰিক্ত বাছ চলাচল কৰাৰ ব্যৱস্থা কৰিবনে ?

(ঘ) যিহেতু নগৰবেবাৰ পৰা বাছবোৰৰ চলাচল আৰম্ভ হয় আৰু নগৰ-

বেৰাতে বাছবোৰ থাকিব লাগে, তেন্তে লক্ষ্য কৰি নগৰবেৰাতে এটা Booking Office আৰু এটি Staff Quarterৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীজহিৰুল ইছলাম (পৰিবহন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

৫৮। (ক)— হয়, বৰ্ত্তমানে দুখন বাছ চলাচল কৰি আছে।

(খ)— পৰিবহন নিগমৰ বাছৰ উপৰিও এই পথত বে-চৰকাৰী বাছো চলাচল কৰে আৰু নিগমৰ বাছ আৰু বে-চৰকৰী বাছ সমূহে ৰাইজৰ চাহিদা যথেষ্ট পৰিমাণে পূৰণ কৰিব পাৰিছে বুলি বিবেচনা কৰা হয়।

(গ)— 'খ'ৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত এই প্ৰশ্ন নুঠে।

(ঘ)— ইয়াৰ কাৰণে পৰিবহন নিগমে নগৰবেৰাত Booking Office আৰু Staff Quarter সাজিবৰ কাৰণে উপযোগী চৰকাৰী মাটি এডোখৰ পাবৰ বাবে চেষ্টা চলাই আছে।

**বিষয় : পলাশবাৰী সমষ্টিৰ খেতিত পানীযোগানৰ ব্যৱস্থা**

শ্ৰীহৰেন্দ্ৰ গোস্বামীয়ে সুধিছে :

*৫৯। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) পলাশবাৰী সমষ্টিত খেতিত পানী যোগানৰ বাবে কিবা ব্যৱস্থা আছেনে ?

(খ) যদি আছে, কেনে ধৰণৰ ?

(গ) ব্ৰহ্মপুত্ৰৰ পৰা দখলা পাহাৰত এটি জলাধাৰ সজাৰ আঁচনি চৰ-

কাৰৰ হাতত আছে নেকি ?

শ্ৰীএ, এফ, গোলাম ওচমানী ( জলসিঞ্চন বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

৫৯। (ক)— হয়, আছে।

(খ)— পলাৰবাৰী বিধান সভাৰ সমষ্টিৰ ভিতৰত উভতি জলসিঞ্চন প্ৰকল্পৰ ( flow type ) দ্বাৰা খেতি পথাৰত পানী যোগানৰ ব্যৱস্থা কৰা হৈছে।

(গ)— বৰ্ত্তমান তেনে কোনো আঁচনি লোৱা নাই।

শ্ৰীশূল বৰা ঃ— অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নম্বৰ নিয়মানুসৰি ১৯৭৯ চনৰ ২৯ জানুৱাৰী তাৰিখৰ দৈনিক অসম কাকতত প্ৰকাশিত সংৰক্ষিত বনাঞ্চলত আকৌ "ধ্বংশ যজ্ঞ" শীৰ্ষক বাতৰিটোলৈ বন বিভাগৰ মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিলো।

*শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, 'দৈনিক অসম' কাকতত ১৯-১-৭৯ তাৰিখে প্ৰকাশিত "সংৰক্ষিত বনাঞ্চলত আকৌ ধ্বংস যজ্ঞ" শীৰ্ষক বাতৰিটোৰ প্ৰতি মাননীয় সদস্য শ্ৰীশূল বৰাই অসম বিধান সভা প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱল ৫৪ নং নিয়ম অনুসৰি বন বিভাগৰ মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰ চৰকাৰৰ দৃষ্টিগোচৰ হৈছে।

বাতৰিটোত গোৱালপাৰা মহকুমাৰ দক্ষিণ পাৰ অঞ্চলত থকা সংৰক্ষিত বনাঞ্চলৰ পৰা লাখ লাখ টকা মূল্যৰ শাল গছৰ চোৰাং কাৰবাৰ প্ৰবল গতিত চলাৰ গুৰুতৰ অভিযোগ কৰা হৈছে। গোৱালপাৰাৰ উচ্চ পদস্থ বন বিষয়া আৰু তেওঁৰ তলতীয়া বিভিন্ন

চাকৰিয়ালৰ সহযোগত এই চোৰাং কাৰবাৰ চলাৰ অভিযোগ তোলা হৈছে। বাতৰিটোত আৰু কোৱা হৈছে যে যোৱা বছৰ অক্টোবৰ নবেম্বৰ মাহৰ পৰা এতিয়ালৈকে ১৫/১৬ লাখ টকাৰ গছ কটা হৈছে আৰু চোৰাং কাঠ ফালিবৰ কাৰণে সেই অঞ্চলৰ কাঠ কলবোৰ দিনে নিশাই চলি আছে। বাতৰিটোত এই বুলিও অভিযোগ তোলা হৈছে যে বিভাগী মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰা স্বত্বেও কোনো সুফল হোৱা নাই। উক্ত বাতৰিটোত যোৱা ১৫ জানুৱাৰীত ঘটা এটা ঘটনাৰ বিবৰণীত দিয়া হৈছে।

এই বাতৰি সন্দৰ্ভত মাননীয় সদস্য সকলক জনাব খোজো যে এই বনাঞ্চলবোৰৰ প্ৰায় ভাগেই কিছু বছৰৰ আগলৈকে জমিদাৰৰ হাতত আছিল। তাৰ ভিতৰে ভিতৰে বসতি কৰি থকা স্থানীয় ৰাইজে এই বনাঞ্চলবোৰৰ পৰা অবাধে বিনমূলীয়াকৈ লাগতীয়াল কাঠ আহৰণ কৰিব পাৰিছিল। এইবোৰক সংৰক্ষিত বনভূমি কৰাত এক বৃজন পৰিমানৰ ৰাইজ তেওঁলোকৰ পুৰ্ব্বৰ সুবিধা সমূহৰ পৰা বঞ্চিত হয় আৰু তেওঁলোকৰ আয়ৰ পথো বন্ধ হয়। এনে অৱস্থাত কিছুলোকে অসাধু ব্যৱসায়ীৰ উচতনি আৰু প্ৰলোভনত পৰি চুৰি কৰি কাঠ কটাৰ দৃষ্টান্ত পোৱা হৈছে। সময়ে সময়ে এনে চুৰি কৰা কাঠ জব্দ কৰি চৰকাৰৰ ঘৰলৈ বাজেয়াপ্ত কৰা হৈছে আৰু সংশ্লিষ্ট দোষীৰ বিৰুদ্ধে গোচৰ তৰা হৈছে। সাধাৰণতে মেঘালয় অসমৰ সীমান্ত অঞ্চলৰ বন চকী নোহোৱা ঠাইত এনে ধৰণৰ চুৰি কাৰ্য্য আজি কিছুদিনৰ পৰা হোৱা দেখা হৈছে। এনে অঞ্চলৰ পৰা চুৰিকৈ কটা কাঠ মেঘালয়ৰ এলেকালৈ নি মেঘালয় জিলা পৰিষদৰ মোহৰৰ ভূৱা প্ৰতিলিপিয়ে চিহ্নিত কৰি পুনৰ

* Speech not corrected

অসমৰ ভিতৰলৈ অনা কেইবাটাও ঘটনা ধৰা পেলোৱা হৈছে। গোৱালপাৰাৰ বনসংমণ্ডল প্ৰাধিকাৰীয়ে উক্ত দোষী সকলৰ বিৰুদ্ধে গোচৰ তৰিছে আৰু সংশ্লিষ্ট জিলা পৰিষদৰ বন-বিভাগক এই বিষয়ে চকু ৰাখিবলৈ জনাইছে। এনে চুৰি হৈ থকা বনাঞ্চলত চোকা পহৰাৰ ব্যৱস্থা কৰা বাবে ১৯৭৮-৭৯ চনৰ বছৰটোত আগৰ তুলনাত বেচি কাঠ উদ্ধাৰ কৰিব পৰা হৈছে। সেই অনুপাতে দোষীসকলৰ বিৰুদ্ধে তৰা গোচৰ সংখ্যাও বাঢ়িছে এইবোৰ কাঠ বিক্ৰী কৰি ইতিমধ্যে ১৬ লাখ টকা ৰাজহ পোৱা হৈছে। যিবোৰ কাঠ বিক্ৰী হোৱা নাই সেইবিলাকৰ পৰা কমেও ৩/৪ লাখ ৰাজহ পোৱাৰ সম্ভাৱনা আছে। এইবোৰ কাঠ বৰ্ত্তমানৰ D. F. O. ৰ নেতৃত্বতেই উদ্ধাৰ কৰা হৈছে। বন-বিভাগৰ মুষ্টিমেয় কৰ্ম্মচাৰী আৰু সীমিত যান বাহনৰ পৰিপ্ৰেক্ষিতত সকলো ঠাইতে সমানভাবে আৰু আৱশ্যক অনুযায়ী পহৰাৰ ব্যৱস্থা কৰিব পৰা হোৱা নাই। সীমান্ত অঞ্চলত থকা বনভূমিৰ উপযুক্ত ৰক্ষণাবেক্ষণৰ বাবে নতুন বনচকী স্থাপন আৰু যোগাযোগ ব্যৱস্থাৰ উন্নয়নৰ বিষয়ে চৰকাৰে গভীৰ ভাবে চিন্তা কৰিছে।

প্ৰাক্তন বিধায়ক শ্ৰীশৰৎ চন্দ্ৰ ৰাভা প্ৰমুখ্যে স্থানীয় ৰাইজৰ কেইজনমানে ১৫-১-৭৯ তাৰিখে ঘটা ঘটনাৰ বিষয়ে দিয়া প্ৰতিবেদনৰ ওপৰত কোনো ব্যৱস্থা লোৱা হোৱা নাই বুলি কোনো কথা সচাঁ নহয়। এই প্ৰতিবেদন পোৱাৰ পিছত বনমন্ত্ৰীয়ে নামনি অসমৰ বন-সংৰক্ষকক ঘটনা সম্পৰ্কে স্থানীয় ভাবে তদন্ত কৰিবলৈ পঠায়। বন-সংৰক্ষকে ২২ আৰু ২৩ জানুৱাৰী তাৰিখে স্থানীয় তদন্ত কৰে। তদন্তৰ পৰা জনা যায় যে ১৫-১-৭৯ তাৰিখে গোৱাল-পাৰাৰ শ্ৰীমংগীলাল মাৰু নামৰ এজন কাঠ ব্যৱসায়ীয়ে জব্দ হৈ

থকা কিছুমান চোৰাং কাঠ বাদহপুৰ বিট অফিচৰ ভাৰপ্ৰাপ্ত বিষয়া আৰু বনৰক্ষকৰ সহযোগত হাতীগাওঁৰ পৰা অবৈধভাবে লৈ যাব খুজিছে বুলি সন্দেহ কৰি স্থানীয় গাৱঁৰ ৰাইজে বাধা দিয়ে। প্ৰকৃততে এই জব্দ কৰা কাঠখিনি বন সংমণ্ডল প্ৰাধিকাৰীয়ে গোৱালপাৰাত নিবিদা লৈ বিক্ৰী কৰি চৰকাৰে পাবলগীয়া ৰাজহ আদায় হোৱাৰ পিছততহে উক্ত ব্যৱসায়ীজনক নিবৰ কাৰণে অনুমতি দিছিল। ঘটনাস্থলীত উপস্থিত থকা বনবিষয়াই ৰাইজক এই বিষয়ে অৱগত কৰাৰ পিছতো তেওঁলোকে ৰাস্তা মেৰামতি কৰিবৰ কাৰণে টকা দাবী কৰে। এনে সময়ত বনবিভাগৰ টহলদাৰী দল উপস্থিত হয় আৰু অৱস্থা দেখি সংমণ্ডল প্ৰাধিকাৰীক খবৰ দিয়ে। সংমণ্ডল প্ৰাধিকাৰী দুজন পুলিচসহ ঘটনাস্থলীত উপস্থিত হয়। ইতিমধ্যে সময়মতে ৰাইজ উন্মত্ত হৈ সংমণ্ডল প্ৰাধিকাৰী আৰু অন্যান্য বিষয়া সকলক আগুৰি ধৰে আৰু এটা সংঘৰ্ষৰ সৃষ্টি হয়। ইয়াতে উল্লেখ কৰিব পাৰি যে সিদিনা দোমাহীৰ দিন আছিল। পৰিস্থিতি আয়ত্তৰ বাহিৰলৈ যোৱাৰ কাৰণে উপায়ুক্তৰ হৈ বন সংমণ্ডল প্ৰাধিকাৰীয়ে বন্দুকেৰে ফাকা আৱাজ কৰি উন্মত্ত জনতাক বিতাৰিত কৰে। ৩ জন মানুহক জীপত ভৰাই লৈ গোৱালপাৰালৈ ঘূৰি আহে। এই ৩ জন মানুহৰ নাম যথাক্ৰমে শ্ৰীগিলিব ৰাভা, শ্ৰীহৰেন্দ্ৰ বৰো আৰু শ্ৰীতাৰিণী প্ৰসাদ ৰাভা। তদন্তত এওঁলোকৰ কিছু জখম হোৱা বুলি জনা যায়। বন সংমণ্ডল প্ৰাধিকাৰীয়ে এই মানুহ কেইজনক পিছদিনা পুৱা জীপেৰে হাতীগাৱঁত থোৱায়। এইখিনিতে উল্লেখ কৰিব পাৰি যে এই সংঘৰ্ষত দুজন বন বিষয়াও আহত হৈছে।

এই ঘটনা সম্পৰ্কে চৰকাৰী কাৰ্য্যত ব্যাঘাত জন্মোৱাৰ অভিযোগ কৰি আগিয়া থানাত এটি গোচৰ তৰা হৈছে। জনা

গৈছে যে ৰাইজৰ তৰফৰ পৰাও বন সংমণ্ডল প্ৰাধিকাৰী আৰু তেওঁৰ বিষয়া সকলৰ বিৰুদ্ধেও ওলোটা গোচৰ তৰা হৈছে।

এই সংঘষত জড়িত থকা বুলি অভিযোগ হোৱাত বিভাগীয় তদন্তৰ সুচনাৰ্থে চাৰিজন বন বিষয়াক যথাক্ৰমে শ্ৰীআনন্দ ৰাম গগৈ (বন-পালক), শ্ৰীৰবীন্দ্ৰ নাৰায়ণ ঘোষ (বন ৰক্ষক), শ্ৰীৰফিউদ্দিন আহামেদ (বনৰক্ষক) আৰু শ্ৰীনাৰায়ণ চন্দ্ৰ দাস (বনৰক্ষক)ক নিলম্বিত কৰা হৈছে।

শ্ৰীপ্ৰমোদ গগৈ ঃ— অধ্যক্ষ মহোদয়, মই এটা ক্লাৰিবিফেচন মন্ত্ৰী মহোদয়ৰ পৰা বিচাৰিছো। মন্ত্ৰী ডাঙৰীয়াই কৈছে যে গোৱালপৰা আৰু কোকোৰাঝাৰ বনাঞ্চলত কিছু লোকে মেঘালয়ৰ ট্ৰেনজিত পাৰমিট লৈ বে-আইনি ভাৱে কাঠ সংগ্ৰহ কৰি বিক্ৰি কৰিছে। তেখেতে এইকথা জানে নে যে তেখেতে মন্ত্ৰী হোৱাৰ পিচত ৩ জন লোকৰ এজন হল কে, চি, ক্ৰছিমন, দ্বিতীয় জন হৈছে প্ৰশান্ত মিত্ৰ, তৃতীয় জন হৈছে কে, আৰ, চৌধুৰীক এই অঞ্চলত গছ কটাৰ কাৰণে পাৰমিট দিয়া হৈছিল? তেওঁলোকে সকলো চৰ্ত্ত ভঙ্গ কৰি বলপূৰ্বক ভাৱে আৰু বন বিভাগৰ কৰ্ম্মচাৰীৰ সহযোগত যথেষ্ট পৰিমানৰ কাঠ কাটি আছে আৰু বেআইনী ভাৱে কাঠ বিক্ৰি কৰি থকাৰ কথাটো সচা নে? এই তিনিজন মানুহে মন্ত্ৰী ডাঙৰীয়াৰ হস্তক্ষেপত কাঠৰ পাৰমিট পোৱা কথাটো সচা নে?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) ঃ— মাননীয় সদস্যই কৈছে যে কোকোৰাঝাৰ, মেঘালয় সীমান্তত কাঠৰ চোৰাং কাৰবাৰ চলি আছে। কিন্তু মোৰ বক্তব্যত কোকোৰাঝাৰৰ, কথা উল্লেখ কৰা নাই আৰু মাননীয় সদস্য গৰাকীয়ে জানে যে কোকোৰাঝাৰ মেঘালয়ৰ সীমান্তত নহয়। গতিকে ইয়াৰ লগত ইয়াৰ সম্পৰ্ক নাই।

শ্ৰীপ্ৰমোদ গগৈ :— মোৰ প্ৰশ্নটো হল যে কে, চি, বাৰ্দ্ধন, প্ৰশান্ত মিত্ৰ আৰু কে, আৰ, চৌধুৰীক কাঠ কটাৰ কাৰণে ফৰেষ্ট বিভাগৰ পৰা পাৰমিট দিয়া কথাটো হয় নে নহয় ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) :— এইটো কল এটেনচনৰ লগত জড়িত নহয়। সেই সকল মানুহক নতুনকৈ পাৰমিট দিয়া হোৱা নাই। আগৰ পাৰমিটতেই গছ কাটি আছে। সেই গছবিলাক নষ্ট হৈ যাব বুলি কিছু ৰিলিজ অৰ্ডাৰ দিয়া হৈছে।

শ্ৰীপ্ৰমোদ গগৈ :— মই তিনিটা মানুহৰ নাম নিৰ্দ্দিষ্ট ভাবে কৈছো। সেই তিনিজন মানুহক গছ কাটিবৰ কাৰণে বন বিভাগৰ পৰা পাৰমিট দিয়া হৈছিল নেকি ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী ( মন্ত্ৰী ) :— নতুনকৈ পাৰমিট দিয়া হোৱা নাই। আগৰ পাৰমিটতেই গছ কাটি আছে।

শ্ৰীপ্ৰমোদ গগৈ :— তেখেত সকলক পাৰমিট কেতিয়াৰ পৰা দিয়া হৈছিল আৰু সেই পাৰমিটৰ ভেলিডিটি কেতিয়ালৈ আছে ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) :— এইটো প্ৰাসঙ্গিক প্ৰশ্ন নহয়, যিহেতুকে মোৰ হাতত তথ্য-পাতি নাই সেইটো তদন্ত কৰি জনোৱা হব।

শ্ৰীপ্ৰমোদ গগৈ :— তেখেতে এইটো তদন্ত কৰি জনাবনে ?

মাননীয় অধ্যক্ষ :— ৰুল ৫৪ ত ইমানবোৰ প্ৰশ্ন হব নোৱাৰে। এইটো অধ্যয়ন কৰি জনোৱা হব।

চৈয়দা আনোৱাৰা টাইমুৰ :— মন্ত্ৰী ডাঙৰীয়াই যিটো উত্তৰ দিলে সেইটো যদি সত্য নহয় তেতিয়া হলে তাৰ সত্য উত্তৰ দিব লাগিব।

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰঃ— মন্ত্ৰী ডাঙৰীয়াই যিটো উত্তৰ দিলে সেইটো সত্যতাৰ ওপৰত সন্দেহ থকাৰ কাৰণে যিকেইটাৰ নাম তেখেতে দিছে তেওঁলোকৰ পাৰমিট বন্ধ হোৱাৰ পিচত নতুনকৈ ৰিনিউ কৰিছে নেকি ?

শ্ৰীতুলাল বৰুৱা (মন্ত্ৰী) ঃ— সততাৰ ওপৰত সন্দেহ থকা বুলি কোৱা কথাষাৰ আপত্তিজনক।

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰঃ— মন্ত্ৰী ডাঙৰীয়াৰ ষ্টেটমেণ্টৰ সত্যতাৰ ওপৰত সন্দেহ কৰাৰ কথাটো অহা নাই। কাঠৰ চোৰাং কাৰবাৰৰ কথা উঠিছে। যি তিনিজন মানুহক কাঠৰ পাৰমিট দিয়া হৈছিল তেখেত সকলৰ পাৰমিট ৰিনিউ কৰা হৈছে নেকি ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) :— কল এটেনচনটো আছিল গোৱালপাৰাৰ দক্ষিন পাৰৰ আৰু সেইটো আছিল মেঘালয় বৰ্ডাৰত। মাননীয় সদস্যই যিটো প্ৰশ্ন কৰিছে সেইটো গোৱালপাৰাৰ উত্তৰ পাৰৰ, ভুটান বৰ্ডাৰৰ। সেয়ে দক্ষিন পাৰৰ লগত ইয়াৰ কোনো সম্পৰ্ক নাই।

শ্ৰীবীৰেণ চৌধুৰী ঃ— আমাৰ মন্ত্ৰী ডাঙৰীয়াই যিটো বিবৃতি দাঙি ধৰিছে মই ভাবো এই সম্পৰ্কে আকৌ অনুসন্ধান কৰাৰ ব্যৱস্থা কৰিব। কাৰণ যিবিলাক তথ্য ইয়াত দাঙি ধৰিছে অসত্য বুলি কলে ভুল কৰা হব কিয়নো এইটো অসাংবিধানিয়ক হব। গতিকে এই সম্পৰ্কে তেখেতে অনুসন্ধান কৰি ব্যৱস্থা কৰিব কাৰণ এই তিনিজন মানুহক হাতীগাওঁত জখম কৰি অমানুষিক কাম কৰিছে। ২ জন মানুহ আজিলৈকে সয্যাসায়ী হৈ আছে, মৃত্যুৰ ওচৰ চাপি আহিছে। গোৱালপাৰাৰ ডি,এফ,ও ৰ বিষয়া কেনে ভাবে চোৰাং কাৰবাৰত লিপ্ত আছে সেই বিষয়ে মন্ত্ৰী ডাঙৰীয়াক মই আগতে জনাইছিলো। মন্ত্ৰী ডাঙৰীয়াই এই বিষয়ে সহায় কৰিবৰ কাৰণে

মোক পৰামৰ্শ দিছিল। মই চোৰাং কাৰবাৰ সম্পৰ্কত যেতিয়া কৈছিলো তেতিয়া তেখেতে সাৱধান বাণী দিছিল। you mr. Choudhury, M. L. A., you have no right to poke your nose in my affairs. এই সম্পৰ্কত ৰাতি ১০-৩০ বজাত মন্ত্ৰী ডাঙৰীয়াক মই ফোন কৰি কৈছিলো আৰু লিখিত ভাবেও জনাইছিলো। কিন্তু তাৰ প্ৰতিকাৰ মই আজিলৈকে নাপালো। তেখেতে বুঢ়া আঙুলি দেখুৱাই কাম চলাই আছে। তেখেতে কেনেভাবে এই অসৎ ব্যৱসায়ত লিপ্ত হৈ গোৱালপাৰাৰ বন বিভাগৰ সকলো গছ শেষ কৰি পেলাইছে। মই সেইকাৰণে দাবী কৰো ইয়াৰ এটা বিচাৰ লাগে।

শ্ৰীগোলোক ৰাজবংশী :— মাননীয় সদস্য গৰাকীয়ে এটা চিৰিয়াচ এলিগেচৰ আনিছে। মন্ত্ৰী ডাঙৰীয়াই ইয়াৰ এটা তদন্ত কৰাৰ প্ৰয়োজন।

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী)ঃ— অধ্যক্ষ মহোদয়, মই এতিয়া কব বিছাৰিছো যে, হাতীগাওঁত যোৱা ফেব্ৰুৱাৰী ১৩ তাৰিখে যি তিনিজন মানুহ আহত হৈছে, তেওঁলোকৰ ঘৰলৈ মই নিজে গৈ কথা পাতি আহিছো। তেওঁলোকৰ অৱস্থা মৃত্যুমূখত পৰা অৱস্থা নাছিল। তেওঁলোকে মোৰ ওচৰলৈ আহি মোৰ লগত বহি কথা বতৰা পাতিছিল। মোৰ লগত তুধনৈ সমষ্টিৰ বিধায়ক জগত পাটগিৰিও আছিল। গোৱালপাৰাৰ ডি, ফ, অ, জনাৰ বিষয়ে মাননীয় সদস্য গৰাকীয়ে অভিযোগ কৰাৰ পাচত মই তদন্ত স্বৰূপে তেওঁলোকৰ লগত আৰু বহুতো লোকৰ লগত আলোচনা কৰিছো। সেইখিনি সময়ত বিধায়ক লক্ষী বৰাও তাত উপস্থিত আছিল। যদি মাননীয় সদস্য গৰাকীয়ে এই বিষয়ে পুণৰ তদন্তৰ কথা কয়, তেতিয়া হলে পুণৰ বাহুল্য তদন্ত কৰা হব।

মঃ ছামছুল হুদা ঃ— অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যি বিশেষ অভিযোগ আনিছে ডি, এফ, ও গৰাকীৰ বিৰুদ্ধে "You have no right to pone your nose" এই অধিকাৰ তেখেতৰ আছেনে নাই সেই কথা আমি স্পষ্টকৈ জানিব লাগিব। ইয়াৰ যেন এটা সুস্থ তদন্ত হয় তাৰ বাবে আপোনাৰ জৰিয়তে চৰকাৰৰ দৃষ্টি আৰ্কষণ কৰিলো। এম, এল, এ সকল ৰাজহুৱা কামত অফিচাৰৰ ওচৰলৈ যোৱাৰ অধিকাৰ আছে নে নাই সেই কথা মই স্পষ্টকৈ জানিব বিছাৰিছো।

Shri Keshab Chandra Gogoi (Minister) :— Sir, I beg to present the List of Supplimentary Demands for Grants and Supplimentary Appropriation for the year 1978-79.

## DEBATE ON GOVERNOR'S ADDRESS

Mr. Speaker :—The time taken for the debate on the Governor's Address party wise is this : Janata party, 198 minutes out of 400 minutes, Indian National Congress, 62 minutes out of 150 minutes, CPM— 36 minutes out of 78 minutes, Congress (I)—24 Minutes, out 52 minutes, CPI— 23 minutes out of 39 minutes, RCPI— 22 minutes out of 26 minutes, PDF 39 minutes out of 32 minutes (time excced by 7 minutes), Inddependents— 15 minutes out of 19

minutes. This is the position.

শ্ৰীকুল বাহাদুৰ চেত্ৰী :— অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত মই কৈছিলো ইয়াত জনতা চৰকাৰে কি আচনি লৈছে আৰু কি কি কৰিছে তাতে এটা ছবি চমুকৈ হলেও এই ভাষণত প্ৰকাশ পাইছে। আজি আপোনালোক সকলোৱে জানে যে শতকৰা ৯০ ভাগ মানুহে গাওঁত থাকে। আমাৰ ৰাজ্যত গাওঁৰ সংখ্যা প্ৰায় ২৩ হেজাৰ। যিবিলাক গাওঁৰ অৱস্থা দুখ লগা। সেইবিলাক ৰাইজ কেনেকৈ আছে সেইকথা আগৰ চৰকাৰে কি ভাবে চাইছিল কব নোৱাৰো। কাৰণ এতিয়াও তেওঁলোকৰ বহুতৰে থাকিবলৈকে এডোখৰ মাটি নাই। সেই ৰাইজে এতিয়াও মাটিৰ পট্টাখন চিনিব নোৱাৰাকৈ নিৰক্ষৰ হৈ আছে। মুঠতে কবলৈ গলে শিক্ষাৰ পৰা সম্পূৰ্ণ বঞ্চিত হৈ আছে। বৰ্ত্তমান আমাৰ ৰাজ্যপালৰ ভাষণত গাওঁ বিভাগৰ ওপৰত গুৰুত্ব দিয়া হৈছে বৰ্ত্তমান আমি আশা ৰাখিছো গাওঁ আৰু পিচপৰা অঞ্চল বিলাকৰ ক্ষেত্ৰত নিশ্চয় চকু কাণ দিব। বৰ্ত্তমান আমাৰ জনতা চৰকাৰৰ ওচৰলৈ বহুতো প্ৰচেচন, বহুত অভিযোগলৈ আহি আছে। কিন্তু সেইবিলাক আজিৰ নহয়, আগৰ চৰকাৰে অনুস্থানৰ ইউনিয়নৰ লগত এগ্ৰিমেণ্ট কৰিছিল আৰু সেইবিলাক দাবী পুনৰ নোহোৱাৰ কাৰণে পুনৰ দাবী উত্থাপনৰ কাৰণে জনতা চৰকাৰৰ ওচৰত আহি আছে। ৰাজ্যপালৰ ভাষণত আজি এইকথা উত্থাপন হৈছে যে জনতা চৰকাৰে অসমবাসী ৰাইজক বিশেষকৈ ৬০ বছৰ ওপৰ খেতিয়কক পেঞ্চন দিয়াৰ ব্যৱস্থা কৰিছে। কিন্তু আগৰ চৰকাৰৰ দিনত তেনেধৰণৰ কোনো ব্যৱস্থা নাছিল। বৰ্ত্তমান জনতা চৰকাৰৰদিনত তেনেধৰণৰ ব্যৱস্থাত আমি বৰ সুখ পাইছো আৰু তেনে ধৰণে মাটি বাৰীৰ ক্ষেত্ৰতো যিবিলাক ভূমিহীন খেতিয়ক আছে অৰ্থাৎ

যিবিলাকৰ মাটি নাই, যিবিলাক মানুহক কাগজে পত্ৰই মাটি দিয়া হৈছিল এনেবিলাক মানুহে মাটি পাব বুলি আশা কৰিলো। মোৰ সমষ্টি মাৰ্ঘেৰিটাতেই এনেধৰণৰ লোক বহুত আছে। ডিব্ৰুগৰ জিলাতো এনে কিছুমান লোক আছে যিবিলাক মানুহক কাগজে কলমে মাটি দিছে কিন্তু আচলতে তেওঁলোকে মাটি পোৱা নাই। সেই কাৰণে আমি আশা ৰাখিছো যে যিবিলাক মানুহে মাটি পোৱাৰ পৰা বঞ্চিত হৈ আছে সেই সকলে মাটি পাব। ইয়াৰ লগতে আকৌ ৰাজ্যপালৰ ভাষণত গাওঁ অঞ্চলৰ জলসিঞ্চনৰ কথা উল্লেখ কৰিছে। এই ক্ষেত্ৰত ২৩'৭১ লাখ হেক্টৰ খেতিৰ মাটিৰ জলসিঞ্চনৰ আচনি লোৱা হৈছে। এইটো এটা সুখৰ লক্ষণ বুলি কব পাৰি। যদি জলসিঞ্চন প্ৰণালী ঠিক নহয় তেতিয়াহলে খেতিও ঠিকমতে নহয় আৰু যদি খেতিৰ উৎপন্ন ভাল নহয় তেতিয়াহলে খাদ্য সমস্যাৰ সমাধান নহয়। তাৰোপৰি আমাৰ দেশত বানপানী আৰু গৰাখহনীয়া এটা ডাঙৰ সমস্যা। জনতা চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি বান নিয়ন্ত্ৰণ বিভাগে এই আচনি হাতত লৈছে আৰু এখন বোৰ্ড গঠন কৰি ব্ৰহ্মপুত্ৰ আৰু তাৰ উপনৈ বিলাক বান নিয়ন্ত্ৰণৰ উপযোগী কৰি ৰাইজৰ অসুবিধা দুৰ কৰাৰ ব্যৱস্থা কৰিছে। ৰাজ্যপালৰ ভাষণত পশুপালনৰ কথাও উল্লেখ কৰিছে। এইক্ষেত্ৰত সকলো মানুহে বিশেষভাবে সুবিধা পোৱা নাই। গতিকে মই আশা ৰাখিছো যাতে সকলো পৰ্য্যায়ৰ মানুহে ডেকা-গাভৰু পৰ্যন্ত ইয়াৰ সুবিধা পায় আৰু ইয়াৰ পৰা তেওঁলোক লাভজনক হব পাৰে।

মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত গ্ৰাম উদ্যোগ আৰু কুটিৰ শিল্পৰ বিষয়েও প্ৰকাশ পাইছে। আমাৰ অসমত যিবিলাক সৰু সৰু লাইচেন্স ধানৰ কলৰ বাবে দিছিল

সেইবিলাক এতিয়া বন্ধ হৈ গৈছে। গাৱ আৰু নগৰৰ যিবিলাক মানুহে মিনি হলাৰৰ পাৰমিট পাবৰ বাবে আবেদন কৰিছিল সেই বিলাকও বন্ধ কৰি দিয়া হল। গতিকে মই আশাকৰো চৰকাৰে বিশেষকৈ আমাৰ বিভাগীয় মন্ত্ৰীয়ে ইয়াৰ এটা নটিফিকেচন দি এই বন্ধ হৈ থকা মিনি হলাৰ বিলাক খুলি দিব লাগে আৰু তেতিয়া আমাৰ ৰাইজ উপকৃত হব। আমাৰ কেইবাজনো মাননীয় সদস্যই কৈছে যে আজি ডাঙৰ ডাঙৰ ধান কল বিলাকক সুবিধা দিয়া হৈছে। ডাঙৰ মাছে সৰু মাছ খায় সেইটো সকলোৱে জানে। আজি যিবিলাক দুখীয়া মানুহ যিবিলাকে কম পইচাৰে ধান কল বহুৱাইছে আজি, সেইবিলাকও বন্ধ কৰি দিছে। সেইবিলাক খুলি দি আমাৰ গৰীব ৰাইজৰ উপকাৰ কৰিব বুলি আশা কৰিলো।

অধ্যক্ষ মহোদয়, আজি আমাৰ ৰাজ্যত নিবনুৱা সমস্যাই ভীষণৰূপ ধাৰণ কৰিছে। চৰকাৰৰ পঞ্জীভূত নিবনুৱাৰ সংখ্যাই হল প্ৰায় ২'৫০ দুইলাখ পঞ্চাশ হাজাৰ আৰু পঞ্জীভূক্ত নোহোৱা বোধকৰো ১৩ লাখ মান হব। এই নিবনুৱা সমস্যাটো আজিৰ সমস্যা নহয়। বহুবছৰৰ পৰা এই নিবনুৱা সকলৰ সংস্থান হোৱা নাই। তেওঁলোকে চাকৰি পোৱা নাই। এই লোকসকলক সংস্থান দিয়াৰ ব্যৱস্থা কৰিব লাগে। গতিকে অধ্যক্ষ মহোদয়, মই ভাবো অসমতে আৰু এটা তেল শোধানাগাৰ কৰিব লাগে আৰু তেতিয়া আমাৰ বহুতো নিবনুৱা সমস্যা সমধান হব। এই কথাতৈ মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। এই শোধনাগাৰ অসমতে লাগে বুলি অসমৰ ৰাইজে কেইবাবাৰো আন্দোলন কৰিছিল, গতিকে অসমতে আৰু এটা তেল শোধনাগাৰ পাতৰৰ বাবে চৰকাৰে দৃষ্টি দিয়ে যেন। গতিকে আমাৰ জনতা চৰ-

কাবে কেন্দ্রৰ লগত এই সম্পৰ্কে যোগাযোগ কৰিব লাগে।

অধ্যক্ষ মহোদয়, আমাৰ ৰাষ্টাৰ ক্ষেত্ৰতো ৰাজ্যপালৰ ভাষণত কোৱা হৈছে। এই বছৰত ৬১৪ কিলোমিটাৰ ৰাষ্টা ধৰা হৈছে। আৰু অহা বছৰত ৯২০ কিলোমিটাৰ ৰাষ্টা ধৰা হৈছে। আমাৰ ৰাজ্যত এনে কিছুমান অঞ্চল আছে যিবিলাকত আজি ৩০।৩১ বছৰে কোনো ৰাষ্টা ঘাট হোৱা নাই। বহুবাৰ ৰাইজে আপত্তি কৰিও ৰাষ্টা পোৱা নাই। সেইকাৰণে মই আশাকৰো আমাৰ জনতা চৰকাৰে দুখীয়া ৰাইজক এই ৰাষ্টাৰ পৰা বঞ্চিত নকৰে যেন। অৱশ্যে ৰাজ্য পালৰ ভাষণত সকলো অঞ্চলতে ৰাইজে যাতে ৰাষ্টাঘাটৰ সুবিধা পায় সেই কথা উল্লেখ আছে। ৰাজ্য পালৰ ভাষণত গুৱাহাটীলৈ ব্ৰডগজ ৰেল লাইন অনাৰ কথা প্ৰকাশ পাইছে আৰু মই আশাকৰো এই ৰেল লাইন গুৱাহাটীলৈকে নাথাকি ইয়াক তিনচুকীয়ালৈ নিবলৈ ব্যৱস্থা গ্ৰহন কৰিব লাগে। ইয়াৰোপৰি ৰাজ্যপালৰ ভাষণত আৰু এটা কথা উল্লেখ কৰিব যে, যিবিলাক মানুহে ৫ বছৰ ধৰি মাষ্টাৰ ৰুলত কাম কৰিছিল, তেওঁলোকক চাকৰি দিয়াৰ ব্যৱস্থা কৰিব লাগে। এইটো বৰ ভাল কথা হৈছে। ইয়াৰ উপৰিও আমাৰ যিবিলাক বে চাৰকাৰী স্কুল আছে সেইবিলাক চৰকাৰী কৰাৰ ব্যৱস্থা কৰিব লাগে। আৰু চৰকাৰৰ ফালৰ পৰা সকলো ৰকমৰ সহায় সহযোগ আগবঢ়াবলৈ চেষ্টা কৰিব লাগে। কিছুমান স্কুলত এতিয়াও বেৰ নাই, চাল নাই, বেঞ্চ নাই, শিক্ষাৰ প্ৰয়োজনীয় সা-সজুলি নাই গতিকে সেইবিলাক দিয়াৰ ব্যৱস্থা কৰিব লাগে। ৰাজ্যপালৰ ভাষণত এইটো কথাও স্পষ্টভাবে প্ৰকাশ পাইছে যে খোৱা পানীৰ বাবে ভাল আচনি চৰকাৰে লৈছে। এই বছৰ ১৯৭৯-৮০ চনত প্ৰায় ৫০০ খন গাৱঁত খোৱাপানীৰ আচনি লোৱা হৈছে। কাৰণ

এই অঞ্চল বিলাকৰ ৰাইজে নানা খাল নৰ্দ্দমা আদিৰ পানী খাই বেমাৰত পৰে। পানী যোগান ব্যৱস্থা কৰাৰ লগতে গৃহ নিৰ্ম্মানৰ আচনিও আমাৰ চৰকাৰে গ্ৰহণ কৰিছে বুলি ৰাজ্যপালৰ ভাষণত প্ৰকাশ পাইছে। আজি আমাৰ দুখীয়া শ্ৰেণীৰ মানুহৰ থাকিবলৈ ঘৰ নাই। চাহ বাগান বিলাকত কাম কৰা লোক সকলে ৰিটায়াৰ-মেণ্টৰ পিচত থাকিবলৈ ঘৰ নাই গতিকে আমাৰ পিচপৰা অঞ্চল বিলাকৰ ৰাইজে যাতে সুবিধা পায় তাৰ ব্যৱস্থা কৰিব লাগে। খোৱা পানীৰ লগতে গাওঁ আৰু নগৰক সমানে আগুৱাই নিৱৰ কাৰণে আচনি গ্ৰহণ কৰিব লাগে। আনকি আজি এনে কিছুমান নগৰ আছে যিবিলাকত মানুহে নাক-মুখত ৰুমাল নহলে যাব নোৱাৰে। ইয়াৰোপৰি আজি মাটিৰ সমস্যাটোও চিন্তা কৰিব লগীয়া হৈছে। বহুতো মানুহে আজি মাটিৰ পট্টা পোৱা নাই। বহুবছৰ বাস কৰাৰ পিচতো আজি চেটেলমেণ্টৰ ব্যৱস্থা পোৱা নাই। গতিকে মই আশাকৰো জনতা চৰকাৰে অতি সোনকালে তেওঁলোকক বন্দবস্তি ও পট্টা আদি দিব।

অধ্যক্ষ মহোদয়, আমাৰ কেইৰাজনো সদস্যই কৈছে যে, ক'ল ইণ্ডিয়াৰ হেদ অফিচ বিলাক অসমত থকা দৰকাৰ। দ্বিতীয় কথা হ'ল, যি চাহপাতৰ কাৰণে অসম বিখ্যাত সেই চাহপাতৰ অফিচ অসমৰ বাহিৰত আছে। গতিকে তেল, চাহ-পাত, কয়লা আৰু অনান্য আদিৰো হেদ অফিচ অসমৰ ভিতৰতে হব লাগে। গতিকে মই আশাকৰো পিচপৰা ঠাইৰ উন্নয়নৰ কাৰণে জনতা চৰকাৰে আশু ব্যৱস্থা গ্ৰহণ কৰিব। পিচপৰা অঞ্চলৰ ৰাইজৰ প্ৰতি সকলোখিনি সহায় সহানুভূতি দেখুৱাব বুলি আশা কৰি মই মোৰ বক্তব্য সামৰণি মাৰিলো।

**মহম্মদ ইদ্ৰিচ** :— माननीয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত ওপৰত যি

ধন্যবাদসূচক প্ৰস্তাৱ আহিছে মই তাৰ বিৰোধিতা কৰি আমাৰ যি সংশোধনী প্ৰস্তাৱ আনিছে তাক মই সমৰ্থন কৰো। এই সম্পৰ্কে মই দুআষাৰ কবলৈ বিচাৰিছো। অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণ অতি দীঘলীয়া ভাষণ। আমাৰ ৰাজ্যৰ নাগৰিক সকলৰ প্ৰাণ আৰু সম্পত্তি ৰক্ষা কৰাৰ ক্ষেত্ৰত এই জনতা চৰকাৰ যে ব্যৰ্থ হৈছে সেই সম্পৰ্কে কোনো উল্লেখ নাই। আৰু তাতোকৈ গুৰুত্বপূৰ্ণ কথা যে, আজি আমাৰ পৱিত্ৰ সংবিধানৰ যি ব্যৱস্থা সেই সংবিধান ব্যৱস্থা উলংঘা কৰি ধৰ্ম্মনিৰাপত্তা ৰক্ষা নকৰি-ভাৰতীয় নাগৰিকৰ ওপৰত যি পুলিচিৰাজ আৰম্ভ কৰা হৈছে সেই সম্পৰ্কে কোনো উল্লেখ কৰা কৰা নাই।

অধ্যক্ষ মহোদয়, এই দুটা কথাৰ কাৰণে আজি এই চৰকাৰ প্ৰশাসনত থকাৰ কোনো অধিকাৰ নাই। যদি চৰকাৰে নাগৰিকৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা দিব নোৱাৰে, যদি চৰকাৰে সংবিধানত যি প্ৰকৃত নাগৰিকৰ অধিকাৰ আছে আৰু ধৰ্ম্মনিৰপেক্ষতাৰ যি ব্যৱস্থা আছে তাক ৰক্ষা কৰিব নোৱাৰে, যদি চৰকাৰে গণতন্ত্ৰৰ নামত কোনো কথাই তিষ্ঠাব নোৱাৰে, আমাৰ বহুতো মাননীয় সদস্যই এই সম্পৰ্কে উল্লেখ কৰিছে যে জীৱন আৰু সম্পত্তি ৰক্ষাৰ ক্ষেত্ৰত কোনো সমস্যা সমাধান কৰিবলৈকে কোনো মাধ্যমৰ উপলব্ধি তেওঁলোকৰ নাহে তেনেহলে গদী ত্যাগ কৰা উচিত। আজি বাহিৰৰ ৰাষ্ট্ৰৰ পৰা অনুপ্ৰৱেশ কৰা লোকসকলক বহিষ্কাৰ কৰাৰ ক্ষেত্ৰত কোনো এজন নাগৰিকেও বাধা দিয়া নাই বা নিদিয়ে বৰং সহায় কৰিহে আছে। কিন্তু আমাৰ চৰকাৰে সমস্যাৰ সমাধান কৰিবলৈ যাওঁতে কি কৰিছে? আজি জেখেত সকলে চৰকাৰী বিষয়া সকলক কি নিৰ্দ্দেশ দিছে? ইন্সট্ৰাক্সন কি আছে? কিন্তু যি নিৰ্দ্দেশই নিৰ্দ্দিষ্ট কাৰ্য্য ক্ষেত্ৰত দেখা পাইছো পুলিচ

বিষয়া সকলৰ কামৰ দ্বাৰা সংবিধানক উলংঘা কৰা হৈছে। নাগৰিকত্ব অধিকাৰ খৰ্ব্ব কৰা হৈছে। সংবিধান উলঙ্ঘা কৰা সম্পৰ্কে জনতা পাৰ্টিৰ অভিজ্ঞ সদস্য শ্ৰীআলতাফ হুচেইন ভাঙৰীয়াই মেম্বাৰ বাৰম্বাৰ "মলেষ্টেচন অৱ" কনিষ্টিটিউচন বুলি কৈছে। কিন্তু মই কৈছো মালেষ্টেচন অব কনিষ্টিটিউচন নহয় ই সংবিধানৰ মৃত্যু। আজি নাগৰিকৰ অধিকাৰ ৰক্ষা কৰা হোৱা নাই। তাৰ প্ৰমাণ আমাৰ হাতত আছে। আমি দৰ্কাৰ হলে দিম। যোৱা অধিবেশনতে মুখ্যমন্ত্ৰী মহোদয়ক মই নিজে আপোনাৰ যোগেদি এখন দৰ্খাস্ত দিছিলো কিন্তু অতি দুখৰ কথা মুখ্য মন্ত্ৰী মহোদয়ে দৰ্খাস্ত খন তদন্ত কৰি কাটিচি হিচাপেও মোক নজনালে। নাগৰিকত্ব অধিকাৰ উপেক্ষা কৰা গণতন্ত্ৰৰ নামত সংবিধান উলঙ্ঘা কৰাৰ এই চৰকাৰৰ কোনো অধিকাৰ নাই। অধ্যক্ষ মহোদয়, মই কব খুজিছো সংবিধান সন্মত ভাবে ধৰ্ম্মনিৰপেক্ষতাৰ ভিত্তিত এই চৰকাৰে কাম কৰিছে নে? বহিস্কাৰৰ ক্ষেত্ৰত বিষয়া সকলক কি নিৰ্দ্দেশ দিয়া হৈছে? বহিৰাগতৰ সংখ্যা কি, বাংলাদেশীৰ সংখ্যা কি মই মুখ্যমন্ত্ৰীৰ পৰা জানিব বিচাৰিছো। কিহৰ ভিত্তিত পুলিচ বিষয়াসকলক নিৰ্দ্দেশ দিয়া হৈছে। কাৰণ আমি কাৰ্য্য ক্ষেত্ৰত দেখিবলৈ পাইছো যি সকল নিখুত, নিভাজ ভাৰতীয় তেওঁলোককো ধৰি লৈ গৈছে। মোৰ সমষ্টিৰে এজন লৰা পুলিচ এ এচ আই হাফলংত ওৱাৰলেচত কাম কৰি আছে। কিন্তু কালি খবৰ পাইছো বৰ দুখৰ কথা তেওঁৰ ভায়েকক ধৰি পেলাই বাংলাদেশলৈ পঠিয়াই দিয়া হৈছে। তেওঁলোক নিখুত নিভাজ ভাৰতীয়। কিন্তু এয়া কি ব্যৱহাৰ নাগৰিকৰ ফ্ৰিডম অৱ স্পিচ, ফ্ৰিডম অৱ লাইফ, ফ্ৰিডম অৱ চিটিজেনচিপ সংবিধানত ৰাখিছে। মই জানিব বিচাৰিছো এই লোক সকলক যি ভাৰতীয় তেওঁলোকক বিনা বিচাৰে বাংলা দেশলৈ পঠিয়াৰ অধিকাৰ এই চৰকাৰে কত পালে? বিভা-

গীয় কৰ্ম্মচাৰী সকলক চৰকাৰে নিৰ্দ্দেশ দিয়ক আৰু ভাল নিৰ্দ্দেশ হলে সেই নিৰ্দ্দেশ মতে কাম কৰাত আমি নিশ্চয় সহায় কৰিম। কিন্তু তাৰ ব্যতিক্ৰম হলে তাৰ পৰিণাম ভয়াবহ হব। মই জানো সকলোৰে সদিচ্ছা আছে। কিন্তু সদিচ্ছা থাকিলেও সংবিধান সন্মত ভাৱে কাম কৰি যোৱাতো আমি বিচাৰো। যি ভিত্তিত বহিৰাগত বুলি বহিস্কাৰ কৰিব বিচাৰিছে বা বিষয়া সকলক নিৰ্দ্দেশ দিছে সেই কথা যদি বিধি সঙ্গত হয় আমাক জনালে আমিও সেই মতে কাম কৰিম।

অধ্যক্ষ মহোদয়, আজি যিটো প্ৰস্তাৱ উত্থাপন কৰিছো যি ধৰণে আজি চৰকাৰী বিষয়াসকলে কাম কৰিছে তাৰ মাধ্য প্ৰমান কৰিব খুজিছো যে এই চৰকাৰে ধৰ্ম্মনিৰপেক্ষতা উলাহ কৰিছে। যি ধৰ্ম্মনিৰপেক্ষতা সংবিধানৰ আপুৰুগীয়া সম্পদ। যি ধৰনে পুলিচ বিষয়া সকলে বহিস্কাৰৰ ক্ষেত্ৰত মানুহবিলাকক খেদি-বলৈ ওলাইছে তাৰ নজীবতুই এটা আপোনাৰ আগত কলে আৰু সদনে জানিলে নিশ্চয় বুজিব পাৰিব। ধৰ্ম্মনিৰপেক্ষতা মুঠেও নাই। সেই কাৰণে আজি যি সকল মানুহৰ নেচনেল ৰেজিষ্ট্ৰেচন আছে ১৯৫০ চনৰে পৰাই ভাৰত বঞ্চিত আছে তেওঁলোকক খেদা হৈছে। মই মাত্ৰ ৬ জন মানুহৰ নাম কব বিচাৰিছো সেই খিনি আপোনাৰ হাতত দিম। মাননীয় মুখ্যমন্ত্ৰীয়ে হয়তো পুলিচৰ দ্বাৰা তদন্ত কৰাই কিবা এটা কব। সেইটো নিবিচাৰো কিন্তু বিষয়টো মই সদনত উদ্‌যাপন কৰিছো যিহেতু নাগৰিকত্ব খৰ্ব্ব কৰিছে। মই আপোনাক অনুৰোধ কৰিছো যে বিভিন্ন দলৰ প্ৰতিনিধি লৈ এই সদনৰ এটা কমিটি কৰি দিয়ক সেই কমিটিয়ে বিছাৰ কৰি চাব। যদি কোনোবা এজন ভাৰতীয় নাগৰিকও নিজৰ দেশৰ পৰা খেদা হৈছে তেনেহলে তাৰ ব্যৱস্থাও হব লাগিব। মই কেইটামান নাম

কৈ দিব বিছাৰিছো— মঃ ইব্ৰাহিম আলি পিতা ইমান আলি কৰৈয়নীথানা মুবাজাৰ ঘৰ নং ক্ষেমিলি নংও আছে। তাৰ পিচত মঃ ইব্ৰাহিম আলি পিতা ক্ষৰমুজ বুৰুঙ্গাতলি আমিৰউদ্দিন, মঃ মূবেশ্বৰ আলি আৰু মঃ ৰহমত উল্লাহ আৰু সফিকদ্দিন এই গোটেই মানুহখিনি মুবাজাৰ অঞ্চলৰ। তাৰ পিচত অসিমুদ্দিন বোলাজনক সৰুপথাৰ থানাৰ পৰা খেদি পঠিয়াইছে।

( At This stage Mr. Speaker vacuted the Chair and Mr. Deputy Speaker oecupied it. )

Alauddin S/O Abdul Quddus, Habibur Rahman S/O Late Rafiquel Haque of Village Singaria, P. O. Singariabazar Dist Cachar. They and their forefathers were born and brought up at the above address and are citizen of India by birth, were arrested by the Golaghat Police on 3.1.79 and forced them to sign a repared statement, while working under Contractor abdul Aziz and Syeb Abdul Hannan of Golaghat town. They were sent to the Jorhat Police Station on 4.1.79 and were repoted to Bangladesh via Mahisason Border out post, Karimganj on 7-1-79 along with some other Indian sitizen so arrested, The above mentioned persons returned back to India on 9-1-79 and made a representation to the Chief Minister by post with a copy to Shri A. M. Choudhury, M. L. A. Shri

Nishit Das, M. L. A. stating the above facts:

কিমান নজিৰ আপোনাৰ আগত দিম ? বহুতো এনেধৰণৰ কেচ আছে যিবিলাকত প্ৰকৃত ভাৰতীয় নাগৰীকক এনে ধৰণে খেদাই দিয়া হৈছে। পাচপোৰ্ট থকা মানুহক, নাগৰিকত্ত্বা থকা মানুহক হাৰাশাস্তি কৰা হৈছে। ঠিক সেই ধৰণে উমেদ আলি, ইব্ৰাহীম আলি, মিচ জালমা খাতুন আদিক বৰপেটাৰ পৰা বংলা-দেশলৈ পঠাই দিয়া হৈছে। এন, আৰ, চি আছে, হাউচ নং আছে হলডিং নং আছে অথচ খেদাই দিয়া হৈছে। এই দুখীয়া মানুহ বিলাকে তিন আলি টেঙা বস্তি, পোঃ অঃ কদম পি, এচ, বগী নদীলৈ কাম কৰিবলৈ গৈছিল। ২১ জানুৱাৰী তাৰিখে ৰাতি ১ বজাত খেদাই দিয়া হৈছে। মই এইখিনি নজিৰৰ দ্বাৰা এইখিনি কথা প্ৰমান কৰিব বিচাৰিছো যে এনেধৰণৰ আৰু বহুত কেচ থাকিব পাৰে য'ত শুই থকা অৱস্থাত ৰাতি মতা-তিৰোতাৰ কোনো ভেদা ভেদ নাৰাখি বিদেশী নাগৰিক বুলি খেদাই দিয়া হৈ আছে। এই-ধৰণে খেদাই দিয়াৰ কি কাৰণ থাকিব পাৰে ? হয়তো এটা কাৰণ হব পাৰে এই মানুহখিনি বিশেষ সম্প্ৰদায়ৰ লোক আৰু হয়তো হব পাৰে সেই মানুহখিনি বিশেষ ভাষা-ভাষী শ্ৰেণীৰ। এইদৰে আজি চৰকাৰে সংবিধানৰ সন্মান তথা ধৰ্ম্মনিৰপেক্ষৰ কথা উলংঘা কৰিছে। এই মানুহ বিলাকৰ যি প্ৰমাণ পত্ৰ হাতত আছে সেই বিলাক বিষয়া সকলে চাব নোখোজে। তেওঁলোকৰ কোনো কথা শুনিব নোখোজে। তাৰ দ্বাৰা কি বুজায় ? শ্ৰীবৰবৰা ডাঙৰীয়াই বাংলাদেশী অনুপ্ৰবেশকাৰী বাহীৰ কৰাৰ নিৰ্দ্দেশ দিছে, বিশেষ সম্প্ৰদায়ৰ সংখ্যা কমাবৰ কাৰণে। স্থানীয় মুৰব্বী সকলৰ কোনো কথাই শুনিব নিবিচাৰে। এই ধৰণে বাহিৰ কৰি দিয়াৰ ফলত ভয় তথা আতংকৰ সৃষ্টি হৈছে। এই মানুহখিনিয়ে মুকলি ভাবে

ফুৰা-চকা কৰিব নোৱাৰে। এই তৃথীয়া মানুহ বিলাকে নগাওঁৰ পৰা লক্ষীমপুৰলৈ, গৰম পানীলৈ কাম কৰিবলৈ যায় অথচ তাৰ পৰাই খেদাই দিয়া হৈছে। আজি নগালেন্দৰ সীমান্তত ঘটনা ঘটিছে। গোৱালপাৰাৰ পৰা মনুহ তালৈ যাব পাৰিছে। দুই-চাৰি-জন মুছলমান মানুহ তালৈ গলে বাংলাদেশী হৈ যাব লাগিব নেকি? তেওঁলোক যদি প্ৰকৃততে বাংলাদেশী হয় নিশ্চয় পঠাব লাগিব। কিন্তু এইটো সুযোগ দিয়া নহব যে তেওঁলোক কৰ পৰা আহিছে, প্ৰমাণ কি আছে দেখাওক। এইটো কেনে ধৰণৰ কথা? ম্যাদি পট্টা থকা মানুহক পঠিয়াই দিয়া হৈছে। অচমুদ্দিনক ৰেংমা বনা-ঞ্চলৰ পৰা সৰু পথাৰ পুলিচ ষ্টেচনৰ পুলিচে পঠিয়াই দিছে। এওঁৰ লগত ৮-৯ জন মানুহক পঠিয়াই দিয়া হৈছে। এই গোটেই বিলাকৰে প্ৰমান পত্ৰ আছে, ম্যাদি মাটি আছে। এই কাৰ্য্যৰ দ্বাৰাই এই-টোকে প্ৰমাণ হয় যে বিশেষ শ্ৰেণীৰ সংখ্যা কমাবৰ কাৰণে বাংলাদেশী বুলি খেদাই পঠিওৱা হৈছে। সংবিধানৰ প্ৰতি যদি সন্মান কৰে নাগৰিকত্ব অধিকাৰৰ ওপৰত যদি শ্ৰদ্ধা আছে তেতিয়াহলে জুদি চিয়াৰীৰ মাধ্যমত এই কেচবিলাকৰ বিচাৰ হব লাগে। অনুপ্ৰবেশ-কাৰীৰ সমস্যা এই ৰাজ্যত আগেও আছিল আৰু তেতিয়া ট্ৰিবুউনেল কৰি বিচাৰ কৰি পঠিওৱাৰ ব্যৱস্থা কৰিছিল। এতিয়া জুদিচিয়েৰীৰ মাধ্যমত বিচাৰ কৰাৰ কি অসুবিধা আছে? এই মানুহখিনিৰ মাজত এনেকুৱা ভয় আৰু ত্ৰাসৰ সৃষ্টি হৈছে যে বাহিৰলৈ কাম কৰিব যাব নোৱাৰা হৈছে। কাৰণ তেওঁলোকে এন. আৰ, চি আদি বাহিৰ কৰিব লাগিব আৰু লিডাৰৰ ওচৰ চাপিব লাগিব। এইকথাটোত যদি মুখ্যমন্ত্ৰী পতিয়ন যাব নোখোজে তেতিয়াহলে নিজৰ বিসস্ত মানুহৰ যোগেদি ভুলব লাগিব। এইকথাটোৰ অৱশ্যে প্ৰমান দিব নোৱাৰিম কিন্তু প্ৰায়ে প্ৰচলিত কথা যে পুলিচ বিষয়া সকলক কোটা বান্ধি দিয়া হৈছে। এই কোটা যদি পুৰা কৰিব নোৱাৰে

তেতিয়াহলে অসুবিধা আছে। মোৰ সহকৰ্মী শ্ৰীগজেন তাঁতীয়ে সিদিনা কৈছিল দাৰোগাই কৈছে লিষ্ট দি দিয়ক। গাওঁবুঢ়াই কলে কোন মানুহৰ লিষ্ট দিব লাগিব? দাৰোগাই কলে এম, এল, এক সোধক। আজি এনেধৰণৰ অনিশ্চয়তাৰ মাধ্যমত এটা শ্ৰেণীক বাহিৰ কৰিব লাগিছে। বাংলাদেশীৰ নামত বিশেষ শ্ৰেণীৰ লোক বাহিৰ হৈ আছে। সচা কথা কব লাগিলে এই মানুহবিলাকৰ চলাচল কৰাত, ব্যৱসায় কৰাত স্বাধীনতা নাই। কেৱল মাত্ৰ ভয় আৰু দুৰ্নীতিৰ কথা কে ঘুৰি ফুৰিব লগা হৈছে সেই কাৰণে মই বাৰম্বাৰ অনুৰোধ জনাও এই সদনৰ কমিটিৰ মাধ্যমত বিচাৰ কৰা হওক। যোৱা পৰহি শ্ৰীগজেন তাঁতীয়ে যিকেইটা নাম দিছে তাৰ ওপৰিও মোৰ হাতত যথেষ্ট নাম আছে। বিদেশী নাগৰিকৰ নামত ভাৰতীয় নাগৰিকক বাহিৰ কৰি এটা কলংক হৈ গল। যি চৰকাৰে ভাৰতীয় নাগৰিকৰ জীৱন আৰু সন্মান ৰক্ষা কৰিব নোৱাৰে সেই চৰকাৰ প্ৰশাসনত থকাৰ কোনো অধিকাৰ নাই।

আজি মই বৰ আচৰিত হৈছো যে এটা জাজ্বল্যমান সমস্যাত মানুহ মৰি শেষ হৈছে, হেজাৰ হেজাৰ লোক আশ্ৰয়হীন হৈছে সেই কথা স্বীকাৰ নকৰি পূৰ্বৰ চৰকাৰৰ ভূলৰ কাৰণে হৈছে বুলি তেখেত সকলে কৈছে। পূৰ্বৰ চৰকাৰৰ কিবা ভূল থাকিব পাৰে প্ৰাক্তন মুখ্য মন্ত্ৰী শ্ৰীশৰৎ সিংহ ডাঙৰীয়াৰ ভূলৰ নিমিত্তেই এনে ঘটনা ঘটিবলৈ পালে বুলি মাননীয় বন্ধু নগেন বৰুৱা ডাঙৰীয়াই কৈ গৈছে। সীমান্তৰ সমস্যা শ্ৰীসিংহ ডাঙৰীয়াৰ দিনত মিমাংসা নোহোৱাৰ কথা সচা হব পাৰে, কিন্তু সিংহ ডাঙৰীয়াই এই কথা নিশ্চয় গৌৰৱ কৰিব যে তেখেতৰ দিনত নগা সীমান্তত এনে ধৰণৰ বিপদ কেতিয়াও সৃষ্টি কৰিবলৈ দিয়া নাছিল। য'ত হেজাৰ হেজাৰ অসমীয়া মানুহে প্ৰাণ হেৰুৱাব লগাত পৰিল।

শ্ৰীসোণেশ্বৰ বৰা ( মন্ত্ৰী ):—উপাধ্যক্ষ মহোদয়, শ্ৰীশৰৎ সিংহ মুখ্য মন্ত্ৰী হৈ থকাৰ দিনত কিমান ঘৰ জ্বলিল, কিমান গাভৰু ছোৱালী ধৰি নিলে সেই সময়ত এই কথাৰ তেখেত সকলে কেতিয়াও হস্তক্ষেপ কৰা নাছিল ।

শ্ৰীমহম্মদ ইদ্ৰিছ :— নিজৰ দায়িত্ব এৰাই যোৱাৰ কাৰণে এনেকৈ কোৱাটো উচিত হোৱা নাই । আজি এই ক্ষেত্ৰত এই চৰকাৰ সম্পূৰ্ণ ব্যৰ্থ হৈছে । নিজ ৰাজ্যৰ চুবুৰীয়া ঠাই নগাৰ মুখ্য মন্ত্ৰীয়ে যি চিঠি আৰু সংযোগ অসমৰ মুখ্য মন্ত্ৰীৰ লগত কৰিছিল সেই সময়ত সেই সম্পৰ্কে তেখেত নীৰৱে আছিল । দৈয়া বনাঞ্চল খুলি দিয়াৰ পিচত শ্ৰীভিজল ডাঙৰীয়াই চিঠিৰ যি যোগাযোগ কৰিলে তাৰ স্পষ্টীকৰণ নিদিয়াৰ কাৰণেই আজি ৰাজ্যখনৰ এনে দুৰ্দশা হবলৈ পালে । এই বিলাক কথাৰ কাৰণে জনতা চৰকাৰ দায়ী, আৰু এই কাৰণেই আৰু আমাৰ সংশোধনী প্ৰস্তাৱৰ মাধ্যমেৰে ৰাজ্য পালৰ ভাষণৰ ওপৰত দুখ প্ৰকাশ কৰি এই চৰকাৰে শাসনৰ গাদী ত্যাগ কৰিবলৈ দাবী জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিছো ।

*শ্ৰীভবেন কুমাৰ শইকীয়া :— উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ বাবে মাননীয় সদস্য আলতাফ হুচেইন মজুমদাৰে জনোৱা ধন্যবাদ জ্ঞাপন প্ৰস্তাৱৰ সমৰ্থনত আৰু বিৰোধী পক্ষৰ বিশেষকৈ কংগ্ৰেছ পক্ষৰ তৰফৰ পৰা দাঙি ধৰা সংশোধনীৰ বিৰোধীতা কৰি মই কেইটামান কথা কব খুজিছো ।

( গণ্ডগোল )

উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জড়িয়তে মাননীয় সদস্য বন্ধু সকলক মই কি কওঁ অকনমান ধৰ্য্যৰে শুনিবলৈ অনু-

* Speech not corrected

ৰোধ কৰিছো। ৰাজ্যপালৰ ভাষণত এই কথা পৰিস্কাৰ যে বহু খিনি কথা আলোচনা-বিলোচনা হোৱা স্বত্তেও এই ভাষণে যে এটা প্ৰগতিৰ সূচনা কৰিছে সেই কথা সকলোৱে স্বীকাৰ কৰিব লাগিব।

(ধনী: কি প্ৰগতি?)

কিছুমান ভৱিষ্যত উন্নয়ণৰ ইঙ্গিত এই ভাষণত দাঙি ধৰা হৈছে। এটাকথা মন কৰিব লাগিব যে জনতাদলে অসমত চৰকাৰ গঠণ কৰাৰ পিচৰ পৰা শান্তি শৃংখলা ৰক্ষা কৰাত এই চৰকাৰে যি কৃতকাৰ্যতা লাভ কৰিছে তাৰ প্ৰমাণ বিভিন্ন সময়ত বিশৃংখলা সৃষ্টি কৰিব খোজা বিভেদকামী শাক্তিৰ প্ৰৰোচনাত এক অশান্ত পৰিবেশ শান্ত কৰাত। আনহাতে এটা কথা চাব লাগিব যে ক্ষমতা বিকেন্দ্ৰীকৰণৰ ক্ষেত্ৰত যেতিয়া ১০ খন নতুন জিলা আৰু ১২টা মহকুমা গঠণ কৰাৰ সিদ্ধান্ত কৰা হৈছে, এইটো এটা বলিষ্ঠ প্ৰদক্ষেপ। একে দিনাই, একে সময়তে গোটেইখিনি গঠণ কৰিব নোৱাৰিলেও পৰ্য্যায় ক্ৰমে এই ব্যৱস্থা লোৱা হৈছে। বিৰোধী পক্ষই যথেষ্ঠ সমালোচনা কৰা স্বত্তেও এই কথা ঠিক যে যোৱা পঞ্চায়ত নিৰ্বাচনৰ পিচত বিভিন্ন ঠাইত কৰপৰেশ্যন সমূহৰ নিৰ্বাচনৰ পিচত জনতা চৰকাৰে এইটো প্ৰমাণ কৰিছে যে গণতন্ত্ৰৰ প্ৰতি তেওঁলোকৰ আগ্ৰহ আৰু চৰ্ত্ত মানুহক পূণৰ দিয়াৰ কথা আহিছে এইটো জনতা চৰকাৰে প্ৰমাণ কৰি আহিছে। আমি দেখিছো যে এই কালচোৱাৰ ভিতৰত জনতা চৰকাৰে অন্ততঃ পথ-ঘাট আদি নিৰ্মাণৰ ক্ষেত্ৰত অগ্ৰগতি লাভ কৰিছে। বিগত কংগ্ৰেছীৰ আমোলত ৩০ বছৰ কালত যিখিনি কৰা সম্ভৱ নহল সেইখিনি এটা বছৰৰ ভিতৰত হোৱাটোৱেই অগ্ৰগতিৰ প্ৰমাণ। আজি এই চৰকাৰৰ প্ৰচেষ্টাতে গুৱাহাটীলৈ ব্ৰডগজ ৰেলপথ সম্প্ৰ-

সাৰণ কৰাৰ সিদ্ধান্ত লোৱাটো এটা ভাল কথা। ব্ৰহ্মপুত্ৰৰ ওপ-ৰত ভোমোৰাগুৰি শিলঘাট দলং নিৰ্মাণৰ কাম এই চৰকাৰৰ দিনতে আদায় কৰা হৈছে।

অসম-নগা ৰাজ্যৰ সীমান্তৰ কথা বহুতো কোৱা হৈছে কিন্তু এই কথা পৰিস্কাৰ যে এই সিমান্ত সমস্যা আগৰ চৰকাৰে নকৰাৰ ফলতে এতিয়া বিভিন্ন সমস্যাৰ উদ্ভৱ হৈছে। এই সমস্যা সমাধান কৰিবৰ কাৰণে জনতা চৰকাৰে চেষ্টা কৰিছে আৰু যিবি-লাক ঠাইত যোগাযোগ এতিয়ালৈকে কৰিব পৰা নাছিল তাত যোগাযোগ কৰিবলৈ ব্যৱস্থা হাতত লোৱাটো নিশ্চয় উৎসাহ জনক। অৱশ্যে এই ক্ষেত্ৰত আমাৰ কৃষিৰ উন্নয়ণ সাধনৰ কাৰণে যিথিনি আঁচনি গ্ৰহন কৰা হৈছে এই আঁচনিয়ে কৃষিৰ ক্ষেত্ৰত উন্নয়ণ সাধন কৰিব নিসন্দহে। এইটোও উৎসাহজনক। কিন্তু এই কথাও কবলাগিব যে এই উৎসাহজনক কথা কোৱাৰ লগতে কৃষিৰ যি উন্নয়ন আচনি লোৱা হৈছে তাত জলসিঞ্চনৰ যি ব্যৱস্থা সেই ব্যৱস্থা অকৃতকাৰ্য্য হোৱাৰ কাৰণে এই কৃষিৰ উন্নয়ণ আচনিখন আগ বঢ়াত যে কিছু বাধা পৰিছে এইটো কবই লাগিব। কিন্তু তৎস্বত্বেও জলসিঞ্চন ব্যৱস্থাৰ যি শিথিলতা চলি আহিছে আগৰে পৰা সেই শিথিলতা দূৰ কৰিবৰ কাৰণে বৰ্তমান চৰকাৰে ব্যৱস্থা হাতত লোৱা আমি দেখা পাইছো।

আমাৰ ইতিপূৰ্বে কংগ্ৰেছ দলৰ তৰফৰ পৰা প্ৰাক্তন তুগৰাকী মন্ত্ৰীয়ে উষ্মা প্ৰকাশ কৰা দেখা পাইছো। এগৰাকী প্ৰাক্তন মন্ত্ৰীয়ে কৈছে যে জনতা চৰকাৰৰ দিনত বস্তুৰ দাম এনে-দৰে জুই চাই হৈ বাঢ়িছে যে ইয়াত মানুহ থাকিবই নোৱাৰা হৈছে। বৰ আচৰিত কথা। তেখেতে কিয় পাহৰি গৈছে, তেখেত

সকলৰ চৰকাৰৰ পিচত এই এবছৰৰ ভিতৰতে বস্তুৰ দাম, মই বিলাসী বস্তুৰ কথা কোৱা নাই, জনতা চৰকাৰে জনসাধাৰণৰ নিত্য প্ৰয়োজনীয় বস্তুৰ দাম কমাব নোৱাৰিলেও অন্ততঃ সুস্থিৰ অৱস্থাত ৰাখিব পাৰিছে। অস্থিৰ অৱস্থাত ৰাখিব পাৰিছেবুলি আমি কব নোৱাৰো। যেনে চাউলৰ কথা, চেনিৰ কথা উল্লেখ কৰিব পাৰি। চেনিৰ চোৰাং বজাৰ নিৰ্মূল কৰি জনসাধাৰণে একে দামতে চেনি পাব পৰা ব্যৱস্থা কৰিছে। গতিকে যিবিলাক বস্তু বাহিৰৰ পৰা আনিব লাগে, আমাৰ ইয়াত উৎপাদন নহয়, সেইবিলাক ক্ষেত্ৰত সংগ্ৰহ কৰাৰ ঠাইতে যদি দাম বেছি হয় সেই বস্তুটো ইয়াত কমাই দিয়া সম্ভৱ নহয়। সেইকাৰণেই সেই বিলাক বস্তু আমাৰ ইয়াতে স্থানীয় ভাৱে উৎপাদন কৰি জনসাধাৰণক সকাহ দিবলৈ পৰিকল্পনা হাতত লোৱা হৈছে। আনহাতে আন এগৰাকী প্ৰাক্তন মন্ত্ৰীয়ে বিশেষকৈ বেছি উষ্মা প্ৰকাশ কৰিছে। তেখেতে ধৰ্মনিৰপেক্ষতাৰ অৱমাননা কৰা হৈছে বুলি কৈছে আৰু সংবিধান খন জনতা চৰকাৰৰ দিনত নষ্ট হৈছে বুলি কৈছে। তেখেতে কিয় পাহৰি গৈছে যে তেখেত সকলেই নাগৰিকৰ অধিকাৰ নাইকিয়া কৰিছিল বিশেষকৈ জৰুৰী অৱস্থাৰ সময়ত জনসাধাৰণৰ যি অৱস্থা কৰিলে, স্বছন্দে ফুৰিব চাকিব নোৱাৰা কৰিলে, ইফালে সিফালে যাব নোৱাৰা কৰিলে আনকি মুখ খুলিও কথা কব নোৱাৰা কৰিলে। তাৰ পৰা আজি জনসাধাৰণক জনতা চৰকাৰে ৰেহাই দিছে। আজি জনতা চৰকাৰক গালি পাৰি ৰাতৰি কাকতত খোলা-খুলি ভাবে জনতা চৰকাৰক সমালোচনা কৰিব পাৰিছে। সকলোৱে এই এবছৰৰ ভিতৰত জনতা চৰকাৰক সমালোচনা কৰাৰ সুবিধা পাইছে। কিন্তু তেওঁলোকৰ শাসনৰ দিনত এই অধিকাৰৰ পৰা জনসাধাৰণক বিতাৰিত কৰিবলৈ চেষ্টা কৰিছিল।

আৰু নাগৰিকত্ব জনসাধাৰণৰ নোহোৱা কৰিছিল। গতিকে তেখেতে যি উক্তি কৰিছে যে ৰাইজক ইফালে-সিফালে চলা-ফেৰা, বজাৰ-সমাৰ কৰা স্বাধীনতা নাইকিয়া হ'ল বুলি মই ভাবো এইটো কথা সচাঁ নহয়।

( ভইচ :— আলটাফ হুচেইন মজুমদাৰে কি কৈছিলে ? )

আমাৰ আভ্যন্তৰিণ গণতন্ত্ৰৰ কথা তেখেতসকলে কোৱাৰ অধিকাৰ নাই। কাৰণ তেখেতসকলৰ আভ্যন্তৰিণ গণতন্ত্ৰ বুলি কোনো বস্তুৱেই নাই। ইন্দিৰা গান্ধীয়ে যি কৈছিলে তাকেই মানিছিলে। এতিয়া আমাৰ আভ্যন্তৰিণ গণতন্ত্ৰ দেখা পাই তেখেতসকলৰ বুকু জ্বলিছে।

মই এতিয়া অসম-নগালেণ্ড সীমান্তৰ কথা কব বিচাৰিছো। অসম-নগালেণ্ড সীমান্তৰ সম্পৰ্কত আমাৰ চৰকাৰক সমালোচনা কৰা হৈছে। মই কব খুজিছো যে পূৰ্ববৰ্ত্তী কংগ্ৰেছ চৰকাৰেই এই সমস্যাৰ জন্ম দিছিলে। তেওঁলোকে এই কথা অস্বীকাৰ কৰিব নোৱাৰে বহুবছৰ ধৰি তেওঁলোকে এই সীমান্তৰ সমস্যাটো সমাধান কৰিব নোৱাৰিলে আৰু তাত অপৰিকল্পিত ভাবে মানুহ সোমোৱাই দি বেদখল কৰালে। তাৰ বনাঞ্চল পুঞ্জিপতিসকলৰ হাতত এৰি দিলে। তেওঁলোকে আমাৰ এই বনজ সম্পদ কাটি চাফা কৰি খাষ্টাং কৰিলে। তাতোকৈ এটা ডাঙৰ কাম কৰিলে সেই ঠাইত যাতায়াতৰ সু-বন্দোবস্ত নকৰিলে। তাতোকৈ আৰু এটা ডাঙৰ কাম কৰিলে চৰকাৰে প্ৰকৃত কথা আলোচনা কৰিবলৈ আগ নবাঢ়িল। এখন অদ্ভুত চুক্তি কৰিলে, তেখেতসকলে এখন পশ্চাৎঘাতী চুক্তিত চহী কৰিলে। যিয়েই নহওঁক ৩০-৩১ বছৰ ধৰি যি কু-কৰ্ম্ম

কৰিলে তাৰ ফলতেই আজি হঠাৎ এই বিস্ফোৰণ ঘটিব পাৰিলে এইটো বৰ দুৰ্ভাগ্যজনক কথা। এই কথাটো মই ইয়াৰ লগতে কম যে তাৰ ফলতেই এই ঘটনা ঘটিবলৈ পালে। তাৰ কাৰণ মূলতঃ যদিও কংগ্ৰেছ চৰকাৰৰ বিগত কাৰ্য্যকলাপেই দায়ি তত্ৰাচ, এইটোও ঠিক যে জনতা চৰকাৰৰ গৃহ দপ্তৰো কিছু পৰিমাণে এই ক্ষেত্ৰত অকৃতকাৰ্য্য হৈছে বুলি কব পাৰি। এইকাৰণেই কব লাগিব যে এই যিটো ঘটনা ঘটিল, আগৰ চৰকাৰৰ কু-কৰ্ম্মৰ ফলতেই ঘটিল এইটো সচা। তথাপি এই ঘটনাক বাধা দিবলৈ বৰ্তমান চৰকাৰে যিমান ব্যৱস্থা লব লাগিছিল বা লবপাৰিলে-হেতেন, এই ক্ষেত্ৰত এই চৰকাৰৰ বিষয়াসকলৰ হেমাহীয়ে বাধা জন্মালে বুলি মোৰ বিশ্বাস। আনহাতে আমি প্ৰশাসনীয় সংস্কা-ৰৰ ফালে চালে দেখা পাওঁ যে জনতা চৰকাৰে প্ৰশাসনীয় সং-স্কাৰ কৰিবলৈ যি প্ৰতিশ্ৰুতি দিছিল আৰু যি ভাবে আগবাঢ়িব খুজিছিল সেইমতে আগবাঢ়িব পৰা নাই। কংগ্ৰেছী শাসনত যিবিলাক বিষয়াই জনসাধাৰণৰ বিৰুদ্ধে চক্ৰান্ত কৰি পুজিবাদী ব্যৱস্থা বাহাল ৰাখিবলৈ সৰ্ব্বতোপ্ৰকাৰে চেষ্টা কৰিছিল সেই লোক-সকলকে যি সকলে দুৰ্নীতি কৰিছিল দুৰ্নীতিৰ প্ৰকোপ বঢ়াবলৈ চেষ্টা কৰিছিল সেই সকলৰ ওপৰত আৰু অধিক দায়িত্ব ভাৰ ন্যস্ত কৰি দিয়া কথালৈ মই মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টিআকৰ্ষণ কৰিছো আৰু অতি সোনকালে এই প্ৰসশনীয় সংস্কাৰৰ দিশত অগ্ৰগতি লাভ কৰিবলৈ হলে সেই বিলাক কথা খুটি নাটি মাৰি চোৱাৰ কাৰণে অনুৰোধ জনাইছো। যাতে এই বিষয়ত অলপ তৎপৰ হয় তাৰ কাৰণে সদনৰ যোগেদি জনাই থলো।

উপাধ্যক্ষ্য মহোদয়, আগৰ চৰকাৰে বনাঞ্চল বিলাক কাটি উৎখাৎ কৰি দিয়াৰ ব্যৱস্থা কৰিছিল। এই কথা জনতা

চৰকাৰক সকিয়াই থওঁ যে মাটি আদি বণ্টন কৰাৰ ক্ষেত্ৰত আৰু যি বিলাক অবৈধ ভাৱে বনাঞ্চল দখল কৰি আছে সেই বিলাক ঠাইত বৰ্ত্তমান চৰকাৰে সক্ৰীয় ভূমিকা লব লাগে। দেশৰ বৈজ্ঞানিক সকলে কোৱা কথাষাৰ এই ক্ষেত্ৰত হৃদয়ঙ্গম কৰিবলৈ মই অনুৰোধ জনাও। তেখেত সকলে কৈছে যে অন্ততঃ দেশৰ খোৱা পানী ভালে ৰাখিবলৈ হলেও দুই তৃতীয়াংশ বনাঞ্চল থকা উচিত। সেই নিৰীখ মতে সংৰক্ষিত ভূমি ৰাখিবলৈ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ মই চৰকাৰৰ ওচৰত নিবেদন ৰাখিলো। ভি-জি-আৰ পি-জি আৰ মুকলি কৰাৰ কথা কিছুমান ক্ষেত্ৰত অৱশ্যে দৰকাৰ হয় কিন্তু কিছুমান এনেকুৱা ঠাই আছে য'ত তোজী খাজনা দি দখল কৰি আছে আৰু আন কিছুমান ঠাইত তোজী খাজনা নিদিয়াকৈও মাটি দখল কৰি আছে। অন্ততঃ জনস্বাৰ্থৰ খাতিৰত হলেও এই বিষয়ত তৎকালীন ব্যৱস্থা লবলৈ মই চৰকাৰৰ ওচৰত অনুৰোধ জনালো। এই বিষয়টো গভীৰ ভাৱে চিন্তা কৰিবলৈ অত্যন্ত প্ৰয়োজন হৈছে।

উপাধ্যক্ষ মহোদয়, যিটো বিপক্ষৰ পৰা কোৱা হৈছে যে সম্প্ৰদায় বিশেষে ব্যৱস্থা লোৱা হৈছে। আচলতে সেইটো সচা নহয়। এইটো কথাও সচা যে এনেকুৱা ক্ষেত্ৰত ভুলক্ৰমে কাম নকৰিবলৈ কাম কৰা হৈছে। কিন্তু এই কথাও ঠিক যে এই ক্ষেত্ৰত সমাধানৰ পথ উলিওৱাটোও সহজ কথা নহয়। মই এটা পৰামৰ্শ দিব খোজো কিন্তু এইটোৱেই যে সমাধান কৰিব পাৰিব বা ইয়েই যে গ্ৰহণযোগ্য হব সেই কথাও কব নোৱাৰো। আচলতে অসমৰ প্ৰতিজন নাগৰিককে নাগৰিকত্বৰ প্ৰমাণ পত্ৰ দিব লাগে। মুখ্যমন্ত্ৰীৰ পৰা সাধাৰণ লোকলৈকে সকলো লোককে নাগৰিকত্বৰ প্ৰমাণপত্ৰ দিব লাগে। তেতিয়াহলে সমাধান কৰাত কিছু সহায়

হব বুলি ভাবো। কিয়নো এঠাইৰ পৰা আন এঠাইলৈ যাওঁতে যদি যি ঠাইলৈ যায় তাত বহিৰাগত লোক থাকিলে চিনাক্তকৰণত কিছু অসুবিধা হোৱাতো নিতান্ত স্বাভাৱিক। মুছলমান লোকক বহিৰাগত বুলি খেদি পঠিওৱাৰ অভিযোগ মাননীয় সদস্য কেবা গৰাকীয়েও উল্লেখ কৰিছে। এইটো ঠিক যে চিন মোকাম নহোৱাৰ কাৰণে তেনে ঘটনা নোহোৱাৰ কোনো নিশ্চয়তা নাই।

( সময় সংকেত )

আৰু একাষাৰ কথা কৈ শেষ কৰিম।

শ্রীনিশিথ ৰঞ্জন দাস :— এক জায়গা থেকে অন্য জায়গায় যেতে হলে প্রমাণপত্র লাগে কি ?

শ্রীবীৰেশ মিশ্র :— এঠাইৰ পৰা আন ঠাইলৈ যাবলৈ হলে পৰিচয় পত্রৰ দৰকাৰ হয় নেকি ?

শ্রীভবেন্দ্র কুমাৰ শইকীয়া :— মই এখন জিলাৰ পৰা অন্যখন জিলালৈ যোৱাৰ কথা কোৱা নাই, এঠাইৰ পৰা আন ঠাইলৈ যোৱাৰ কথাহে কৈছো। বিশেষতঃ যি ঠাইত বহিৰাগত লোক বহিছে বুলি সন্দেহ কৰা হৈছে বা তদন্ত চলোৱাহৈছে। তেতিয়া বহিৰাগত নে থলুৱা বাসীন্দা বিচাৰি চিনাক্ত কৰা টান হৈ পৰে। সেই কাৰণেই প্রমাণপত্র দিয়াৰ কথা কৈছো।

( সময়ৰ সংকেত )

আৰু এটা মাত্র কথা কব খুজিছো। ৰাজ্যপালৰ ভাষণত জনসাধাৰণৰ মনত আবেগৰ সৃষ্টি কৰা এটা বিষয়ৰ কোনো ইঙ্গিত নাই। সেইটো হৈছে স্থায়ী ৰাজধানীৰ স্থান নির্ণয়ৰ কথা। উপা-

ধ্যক্ষ মহোদয়, মই এই কথা কব খুজিছো যে মোৰ এই স্থায়ী ৰাজধানী সম্পৰ্কে কোনো আবেগ নাই। কংগ্ৰেছ চৰকাৰ বহু বছৰ ধৰি সেই বিষয়টো গাপ দি ৰাখিলে উমনি দি ৰাখিলে ফলত জনসাধাৰণৰ মনত যথেষ্ট উম্মাৰ সৃষ্টি হৈছে।

(ভইচ : এতিয়া পোৱালী হব।)

